# শ্ৰেণী সংগ্ৰাম

২৭ বছৰ ঃ তৃতীয় সংখ্যা ঃ জুলাই - আগষ্ট, ২০০৪ মূল্য ঃ পাঁচ টকা।

সম্পাদকীয়

- ব'নাচৰ বতৰত বাগিছাৰ বাতৰি -

## চাহ উদ্যোগৰ 'সংকট' আৰু আমাৰ কৰণীয়

চাহ কোম্পানীবোৰৰ হিচাবৰ খাতা আৰু নীলাম বজাৰত চাহৰ দাম, দুয়োটাই চাহ সংকটৰ কথা ঘোষণা কৰিছে। চাহৰ দাম পৰিছে আৰু পৰিয়েই আছে। 'দৰিদ্ৰ' চাহ মালিকসকল ১৯৯৯ চনৰ পৰা ৩০ শতাংশ মূল্যহ্ৰাসৰ সমুখীন হৈছে। উৎপাদন ব্যয়তকৈ বহু তলৰ মূল্য হে পোৱা গৈছে। সেয়েহে গোটেই বোৰ নহ'লেও প্ৰায়বোৰ চাহ কোম্পানীয়েই বন্ধ হৈ পৰাৰ উপক্ৰম হৈছে। তেনেহ'লে এতিয়া কৰণীয় কি? কৰণীয় হৈছে চাহ বাগিছাবোৰ এৰাবাৰীত পৰিণত কৰা, লক আউট, ছাটাই, প্লেণ্টেশ্যন লেবাৰ এক্টৰ হত্যা, আধা মজুৰীত শ্ৰমিকক কাম কৰোৱা আৰু বিত্তীয় অনুষ্ঠান বিলাকৰ পৰা লোৱা বিপুল পৰিমাণৰ ঋণ চৰকাৰে মকুব কৰি দিয়াৰ ব্যৱস্থা কৰা ... এই গোটেইখিনিয়েই ইতিমধ্যে ইমান ব্যাপক ৰূপত প্ৰস্তাৱিত অথবা কাৰ্যকৰী হৈছে যে সি আনকি আমাৰ বাতৰি কাকতবোৰৰো নজৰ কাঢ়িছে। কোনো ধৰণৰ "মানৱীয় আগ্ৰহ" বৰ্জিতভাৱেই এই সংকটৰ পৰিণামসমূহ পৰিৱেশিত হৈছে, যেনে অনাহাৰৰ পৰা ইমান মৃত্যু, ডায়েৰীয়াৰ পৰা ইমান মৃত্যু, মেলেৰীয়াৰ পৰা সিমান মৃত্যু ইত্যাদি।



শোষণৰ যাঁতাকলত পিষ্ট হৈও গায় যায় যি জীৱনৰ জয়গান

অৰ্ধদাসত্বমূলক বাগিছাৰ অৰ্থনীতিতো জনজাতীয় "কুলী" সকল সদায় পেলাই দিব পৰা সামগ্ৰী আছিল। "কুলী" সকলক ভালপোৱা মালিকসকলে পৰিস্থিতি দেখি বৰ দুখ প্ৰকাশ কৰিছে। পৰাহেঁতেন তেওঁলোকে সহায় হিচাপে বহুত কিবাকিবিয়েই কৰিলেহেঁতেন। কিন্তু এই



OKDISCD

অনিশ্চিত পৃথিৱীত প্ৰাকৃতিক দুৰ্যোগৰ দৰে অহা চাহৰ সংকটৰ সন্মুখত তেওঁলোকেনো কৰিব কি।

চাহৰ দামৰ প্ৰশ্নটো সেয়ে জটিলতাপূৰ্ণ। কাৰণ সাধাৰণ চাহ- পানকাৰীয়ে গমেই নাপায় যে চাহৰ দাম চূড়ান্ত ভাবে কমিছে। ১৯৯৯ চনৰ পৰা ২০০২ চনলৈকে মূল্যপতনৰ এই তিনিটা বছৰত চাহৰ খুচুৰা দাম ৩ শতাংশ বাঢ়িছেহে। এই প্ৰৱণতা এতিয়াও বাহাল আছে। ইয়াৰ পৰা দেখা যায় যে দেশীয় চাহিদা কমাও নাই, স্থবিৰ হৈও ৰোৱা নাই। প্ৰকৃততে তাৰ ওলোটাটোহে ঘটিছে। দেশীয় বজাৰ বাঢ়িছে বুজন পৰিমাণেই, বছৰত ১.৭ শতাংশ হাৰে। চুবুৰীয়া পশ্চিমবংগৰ দুৱাৰ্চ আৰু তৰাইৰ বাগিছাবিলাকৰ ক্ষেত্ৰত এই কথা বেছিকৈ প্ৰযোজ্য কাৰণ এইবোৰ বাগিছাৰ চাহ ঘাইকৈ দেশীয় বজাৰৰ বাবেহে। তথাপিও পশ্চিমবংগৰ চাহ সংকটৰ পীঠভূমি ঠিক এই জেগাখিনিয়েই বুলি কোৱা হৈছে। ইয়াৰ ব্যাখ্যা কি হ'ব পাৰে?

ব্যাখ্যা কেইবাটাও আছে। তাৰে এটা ব্যাখ্যা আগবঢ়াইছে বৃহৎ চাহ ব্যৱসায়ী বৃন্দই। তেওঁলোকৰ মতে পাইকাৰী বিক্ৰেতাসবেই সমগ্ৰ লাভখিনি হজম কৰিছে, ফলস্বৰূপে বেচেৰা নিৰীহ চাহ মালিকসকলৰ জেপ উদি হৈ পৰিছে আৰু তেওঁলোকে সৰ্বশক্তি দিও "কুলী" সকলৰ প্ৰতি নিজৰ 'মাই-বাপ' ভূমিকা পালন কৰিব পৰা নাই। দুৰ্ভাগ্যক্ৰমে বেচেৰা চাহ-মালিকসকলে ভৱিষ্যতেও এনে ভূমিকা পালন কৰিব নোৱাৰিব যদিহে চৰকাৰে তেওঁলোকৰ অৱস্থা সহানুভূতিৰে বুজিবলৈ চেষ্টা নকৰে।

অৱশ্যে তিনিআলি-চাৰিআলিৰ চাহ-দোকানৰ দোকানীসকলে তেওঁলোকৰ তেনে বিয়াগোম লাভ হোৱাৰ কথাটো মানি ল'বলৈ টান পাব। তেওঁলোকে সঠিক ভাৱেই আঙুলিয়াই দিব যে তেওঁলোকতো আৰু নীলামবজাৰৰ ক্ৰেতা বা তেওঁৰ বেনামদাৰ নহয়! আমাৰ চাহ দোকানীয়ে বজাৰৰ সাধাৰণ গ্ৰাহকতকৈ সামান্য সস্তাত মাত্ৰ চাহ কিনিছে। এতেকে তেওঁ অসম্ভৱ লাভ কৰে কেনেকৈ? তেনেহ'লে নীলাম বজাৰৰ সেই বেনামী ক্ৰেতাজন কোন, যিজনে অসাধাৰণ লাভ কৰিছে? নীলাম বজাৰখন চলেই বা কেনেকৈ? তদুপৰি আলিৰ কাযৰ চাহ-দোকানীৰ সংখ্যাওতো এতিয়া কমিছে। এতিয়া ইউনিলিভাৰ (ব্ৰুকবণ্ড-লিপ্টন), টাটা আৰু আন কেতবোৰ তুলনামূলকভাবে সৰু কোম্পানীৰ পেকেটতে প্ৰধানকৈ চাহৰ খুচুৰা বিক্ৰী হয়। নীলামবজাৰতো তেওঁলোকেই বৃহত্তম ক্ৰেতা। উক্ত দুই একচেতিয়া গোষ্ঠীয়েই প্ৰকৃততে নীলামবজাৰৰ ক্ৰেতা তথা বিক্ৰেতাৰ একক চৰিত্ৰৰ প্ৰকৃষ্ট উদাহৰণ।

চাহৰ বজাৰ নিয়ন্ত্ৰণ কৰা শক্তিশালী গোষ্ঠীবোৰে নীলাম বজাৰৰ সম্পৰ্কে বহুজনবিদিত এই কথাখিনি লুকুৱাই ৰাখিব খোজে যে সেই বজাৰ পৰিচালনা পদ্ধতি স্বচ্ছ নহয়। মূল্য নিৰ্দ্ধাৰণ, ক'লাটকাৰ কাৰবাৰ আৰু ডাঙৰ গোষ্ঠীবোৰৰ নিয়ন্ত্ৰণ তাত লুকাই ৰখা হয়। বহুতে ভিতৰুৱা কথাবোৰ জানিলেও ধাৰাবাহিকভাৱে প্ৰচাৰিত ভুল তথ্যৰ, জৰিয়তে সেইবোৰ তল পেলাই ৰখা হয়। সেই ভুল তথ্যৰ উৎস হৈছে তথ্যমাধ্যমৰ ধনবানসকলৰ লগত চাহ গোষ্ঠীবোৰৰ ধনবানসকলৰ মধুমিলন। নীলামবজাৰত ক্ৰেতাৰ পৰিচয় জনাটো সহজ নহয়। বাণিজ্য মন্ত্ৰালয় আৰু টি ব'ৰ্ডে চাহৰ মূল্যপতনত সাৰপাই উঠি যেতিয়া এ. এফ. ফাৰ্গুচন কোম্পানীক নীলাম বজাৰৰ সম্পৰ্কে অধ্যয়ন কৰিবলৈ লগালে, তেতিয়া "ফাৰ্গুচনৰ তদন্তত দেখা গ'ল যে নীলাম ব্যৱস্থাটো মৌলিক নীতি, আৰু নীলামৰ প্ৰক্ৰিয়া দুয়োটা দৃষ্টিকোণৰ পৰাই ত্ৰুটীপূৰ্ণ। অধ্যয়নত এইটোও দেখা গ'ল ক্ৰেতাই এবাৰো ডাক নিদিয়াকৈও তেওঁৰ প্ৰয়োজনীয় গোটেইখিনি চাহ কিনিব পাৰে। একেজন ক্ৰেতাই বছৰটোত সমগ্ৰ পৰিমাণটো নীলামবজাৰৰ পৰা কিনিব পাৰে এবাৰো শাৰীৰিকভাবে বজাৰখনত থিয় নোহোৱাকৈয়ে"। কোম্পানীটোৱে আৰু কয় যে "এতিয়াৰ সময় হৈছে নীলাম ব্যৱস্থাটোৰ ৰেহা লগোৱাৰ আৰু নীলাম সংস্কাৰৰ বাবে তথা নীলাম সংগঠকসকলৰ উদাৰীকৰণৰ বাবে ব্যৱস্থা লোৱাৰ।"

বাণিজ্য মন্ত্ৰালয়, তথা তাৰেই সন্তান টি বৰ্ডে নীলাম বজাৰক ইয়াৰ শুদ্ধ সনাতনী ৰূপত সজাই লোৱাৰ আগতে, অথবা বিদেশী বহুজাতিক সংস্থাটোৱে কোৱাদি তাক শক্তিশালী কৰি লোৱাৰ আগতে আমি চাওঁচোন তাৰ দুৰ্বোধ্য পৰামৰ্শবোৰৰ পৰা নীলামবজাৰত প্ৰকৃততে কি ঘটে, তাৰ কিবা মানে উলিয়াব পাৰি নে নাই। নীলাম আয়োজনকাৰী সংস্থা ভাৰতত কেইটামানহে আছে আৰু সেই গোটেইবোৰেই নিয়ন্ত্ৰণ কৰে কেতবোৰ (প্ৰাক্তন) ব্ৰিটিছ-মালিকানাধীন সংস্থাই। তাৰে কিছুমান চিধাচিধিকৈ বৃহৎ চাহ মালিক গোষ্ঠীৰ মালিকানাধীন। উদাহৰণস্বৰূপে ভাৰতীয় দেশীয় খুচুৰা বজাৰৰ দ্বিতীয় বৃহত্তম ব্যৱসায়ী তথা বৃহৎ উৎপাদক টাটা হৈছে অন্যতম বৃহত্তম চাহ

১২ পৃষ্ঠাত চাওক




OKDISCD

আন্তৰ্জাতিক

# উদ্দাম ছাদ্দাম, তোমাক চালাম !

■ ৰবছন্

আলেকজেণ্ডাৰে পৰাজিত পুৰুৰজাক সুধিছিল, তুমি এতিয়া কেনে ব্যৱহাৰ আশা কৰা ? বুকু ফিন্দাই, উচ্চশিৰে কৈছিল পুৰুৱেঃ ৰজাৰ দৰে। আৰু আজি দুহেজাৰ তিনিশ বছৰ পাছত আন এজন পৰিও নপৰা মৰিও নমৰা অদমনীয় মহানায়কে বিশ্ব দৰবাৰত সগৰ্বে ঘোষণা কৰিছেঃ 'ময়েই ইৰাকৰ ৰাষ্ট্ৰপতি, ছাদ্দাম হুছেইন আল তিক্ৰিটি।' হাতত হাতকেৰেয়া, তাতো আকৌ লোহাৰ শিকলি, মুখত কেঁচা-পকা দাড়িৰে অবিন্যস্ত ছাদ্দামে কিন্তু ইমানৰ পাছতো হাৰ মানি লোৱা নাই। মাৰ্কিন দখলদাৰ বাহিনীয়ে কে'বামাহো জুৰি বৰ্বৰ মানসিক নিৰ্যাতন চলোৱাৰ উপৰিও তেওঁৰ দুয়োপুত্ৰ উদয় আৰু কুশ্বেক নিৰ্মম ভাৱে হত্যা কৰিও ছাদ্দামৰ মনোবল যে ভাঙিব পৰা নাই, সেয়া এতিয়া স্পষ্ট হৈ পৰিছে। উল্লেখযোগ্য যে মাৰ্কিন দখলদাৰ বাহিনীৰ মুৰব্বী পল ব্ৰেমাৰে প্ৰত্যক্ষভাৱে প্ৰশাসন চলাই থকাৰ পৰা সামান্য প্ৰসাধনী পৰিবৰ্তন সাধন কৰি এতিয়া একাংশ ইৰাকী দালালৰ হাতত প্ৰশাসন তুলি দিয়া বুলি কোৱা হৈছে। অৱশ্যে চি আই এ'ৰ প্ৰাক্তন এজেণ্টলৈ কৰা এই হস্তান্তৰো অতিশয় সীমিত কাৰণ ১,৬০,০০০ মাৰ্কিন সেনাই এতিয়াও ইৰাক ত্যাগ কৰা নাই। এই তথাকথিত ক্ষমতা হস্তান্তৰৰ জৰিয়তে মাথো 'ইৰাকী'ৰ জৰিয়তেই ছাদ্দামৰ প্ৰাণদণ্ডৰ বাবে অধৈৰ্য হৈ উঠিছে বুশ্ববাহিনী; মুক্ত ছাদ্দামতকৈও বন্দী ছাদ্দাম যে সিহঁতৰ বাবে বেছি বিপজ্জনক।



আদালতত ধৃষ্টতাৰে ছাদ্দাম

বন্দী ছাদ্দাম যে কিমান বিপজ্জনক হ'ব পাৰে সেয়া প্ৰমাণ হ'ল পহিলা জুলাইৰ 'বিচাৰ'ৰ ভেকোভাওনাৰ পহিলা দিনাই। আচামীৰ কাঠগড়াত থিয় কৰোৱা ছাদ্দামে পোনচাতেই ইৰাকী চৰকাৰৰ অস্তিত্বকে অস্বীকাৰ কৰিলে। নিজকে ৰাষ্ট্ৰপতি বুলি ঘোষণা কৰি ৬৭ বছৰীয়া, শীৰ্ণকায়, কিন্তু পকা-অওঠাহেন ছাদ্দামে ১৯৯০ চনত কুৱেইট দখলৰ অভিযোগ ওলোটাই বিচাৰকৰ মুখলৈকে দলিয়াই দি সিংহৰ দৰে গৰজি উঠিলঃ 'কুৱেইট দখলৰ প্ৰশ্ন উঠিল কেনেকৈ? কুৱেইট চিৰকালেই ইৰাকৰ অংগ। এজন ইৰাকী হৈ মোক এই প্ৰশ্ন সোধাৰ সাহ আপুনি ক'ত পালে? কুৱেইটীহঁতে ইৰাকী ছোৱালীক দহ ডলাৰতে বেশ্যাত পৰিণত কৰিব ধৰিছিল, তাক জানিও সেই কুকুৰহঁতৰ হৈ মাত মাতিছে কিয়?'

'মই যি কৰিছিলো, সকলো ইৰাকৰ জনতাৰ বাবে কৰিছিলো আৰু এই বিচাৰটো মাথো নাটক', বুলি কৈ তীব্ৰ ব্যংগাত্মক ভ্ৰূকুটীৰে চাদ্দামে কয়ঃ 'প্ৰকৃত অপৰাধীতো জৰ্জ বুশ্ব! বিচাৰ হ'ব লাগে তাৰ।'

ছাদ্দামে বিচাৰৰ কোনো দলিলত চহী কৰিবলৈ ৰাজী নহ'ল। ছাদ্দামৰ পত্নীয়ে নিয়োগ কৰা এজন বিদেশী উকীলে কয় যে আদালতে ডিফেন্স এটৰ্নীক উপস্থিত থাকিবলৈ নিদিয়াকৈ এক গুৰুতৰ মানৱ অধিকাৰ উলংঘন কৰিছে। বিচাৰকে ছাদ্দামক কয় যে তেওঁ যদি নিজৰ উকীলক ধন দিব নোৱাৰে তেতিয়া চৰকাৰেই তেওঁক উকীল যোগান ধৰিব। তাতে উভতি ধৰি ছাদ্দামে কয়ঃ 'কিন্তু সকলোৱে কয়, মাৰ্কিনীহঁতে কয় মোৰ বোলে জেনেভাত কোটি-কোটি ডলাৰ সঞ্চিত আছে; তেনেহ'লে মোৰ উকীল ধৰাৰ পইচা নাথাকে কিয়?'

মুঠৰ ওপৰত হেজাৰ নিৰ্যাতনেও সেও মনাব নোৱাৰা ছাদ্দামক বিচাৰৰ ভেকোভাওনা পাতি মৃত্যুদণ্ড দিবলৈ

মাৰ্কিন সাম্ৰাজ্যবাদে যিমানেই চেষ্টা নচলাওক লাগিলে, এই মাত্ৰ আধাঘণ্টীয়া সময় বিশ্ব-দূৰদৰ্শনৰ আগত ওলাবলৈ পায়েই ছাদ্দামে বিশ্ববাসীক তেওঁৰ মৰমৰ ইৰাকীজনতাক বিদ্যুৎ-তাড়িত কৰি তুলিছে। মাৰ্কিনহঁতে এতিয়া আৰু তেওঁৰ বিৰুদ্ধে গণ বিধ্বংসী অস্ত্ৰ ব্যৱহাৰৰ অভিযোগ পৰ্যন্ত তুলিব পৰা নাই। দিন যিমানে যাব, সিমানে বিশ্ব জনগণৰ ক্ষমাহীন, অনিবাৰ্য আদালতত বিচাৰৰ দিন ওচৰ চাপিব ছাদ্দামৰ নহয়, জৰ্জ বুশ্ব জুনিয়ৰৰ।

কাৰণ ছাদ্দামে অন্ততঃ দেশদ্ৰোহ কৰা নাই। ধৰ্মনিৰপেক্ষ ছাদ্দামৰ মন্ত্ৰীসভাৰ গুৰুত্বপূৰ্ণ পদত স্থান পাইছিল তাৰিক আজিজৰ দৰে খ্ৰীষ্টিয়ান নেতাই। বা'থ পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাপক মিট্‌চেল আফ্লাক আছিল খ্ৰীষ্টিয়ান। নিজে চুন্নী হ'লেও কাহানিও ধৰ্মৰ প্ৰতি আগ্ৰহ নেদেখুওৱা, নাস্তিকৰ দৰে সামাজিক জীৱন যাপন কৰা ছাদ্দামে চিয়াসকলক দমন কৰা বোলা অভিযোগটো আংশিক সত্য; অৰ্থাৎ চিয়া চুন্নী দুয়োটা সম্প্ৰদায়ৰে উগ্ৰ মৌলবাদী, প্ৰতিক্ৰিয়াশীল অংশ বোৰকহে তেওঁ দমন কৰিছিল। সেয়ে আজি মাৰ্কিন হানাদাৰহঁতৰ বিৰুদ্ধে ইৰাকৰ চিয়া-চুন্নী জনগণে অনায়াসে ঐক্যবদ্ধ প্ৰতিৰোধৰ পাহাৰ গঢ়িছে। চিয়াৰ মাজত দালাল ওলাইছে, চুন্নীৰ মাজতো; কিন্তু সিহঁত নহয়, মুজাহিদিন, ফিডায়িনহঁতহে ইৰাকৰ ভৱিষ্যত। মাৰ্কিন আক্ৰমণত বাগদাদৰ পতন দেখি যিবোৰে ভাবিছিল ইৰাক পৰিল, তেওঁলোকে মুৰ্খৰ স্বৰ্গত বাস কৰিছিল। সেয়া আছিল মাও চে তুঙে শিকাই যোৱাৰ দৰে গেৰিলা ৰণনীতিহে। চহৰ-নগৰবোৰ পৰিত্যাগ কৰা, গাঁৱেৰে নগৰ ঘেৰাও কৰি ধৰা, তাৰ পাছত শত্ৰুক জব্দ কৰা নিজৰ ঘাটিতে। উদয়-কুশ্বেৰ শ্বহীদী কিয়, ছাদ্দাম স্বহেইনেও যদি শ্বহীদী স্বীকাৰ কৰিব লগা হয়, তথাপিও বুশ্বৰ ডিঙিৰ পৰা ছাদ্দামৰ বেতাল নানামিব কাহানিও। ✪

অৰ্দ্ধ আকাশ

# নগ্নহে কৰিব পাৰ, কাপোৰ পিন্ধাবি কেনেকৈ ?

*(মণিপুৰী মহিলাৰ অভিনৱ প্ৰতিবাদত নগ্ন হ'ল ভাৰতীয় সেনা)*

■ সান্ত্বনা

উক্ত ছৱিখন কোনো বাটৰ নাটকৰ দৃশ্য বা কোনো পণ্যৰ বিপণনৰ বাবে নামী মডেলৰ দৃশ্য নহয়। ছৱিখনৰ পটভূমিও বিদেশ নহয়, আমাৰ চুবুৰীয়া মণিপুৰৰেহে দৃশ্য সেয়া, - যিখনে মনত পেলালে কেইবছৰমান আগৰ কথা।

গুৱাহাটীত মণিপুৰৰ নাট পৰিচালক কান্‌হাইলালৰ এখন নাটক মঞ্চস্থ হ'ব। দৰ্শকৰ বিপুল উৎসাহ। উৎসাহৰ কথাই। বিখ্যাত লেখিকা মহাশ্বেতা দেৱীৰ গল্প । বিখ্যাত পৰিচালকে দিয়া নাট্যৰূপ। তাতে আকৌ মঞ্চৰ এটা দৃশ্যত নায়িকাই বিবস্ত্ৰা হৈ অভিনয় কৰে। অভিনেত্ৰীও বিখ্যাত সাবিত্ৰী দেৱী ; তাতে পৰিচালকৰো পত্নী। নাটক হ'ল। কলাৰসিকসকলৰ কোনো অভিনয়ৰ প্ৰশংসাত পঞ্চমুখ, কোনো হতাশ, সুৰসুৰণি আশাকৰা ধৰণৰ নহ'ল; খেনোৰ তিৰ্যক মন্তব্য 'চৰ্চিত হ'বলৈ পৰিচালকে কৰা প্ৰয়াস'। আমাৰ মনত প্ৰশ্ন হ'ল নিজকে পণ্য কৰি তোলাবোৰে চৰ্চিত হ'বলৈ বস্ত্ৰ বিসৰ্জন দিয়ে সঁচা। কিন্তু সমাজৰ প্ৰতি, নাটকৰ প্ৰতি দায়বদ্ধতা নাথাকিলে কেৱল চৰ্চিত হ'বলৈকে কোনোবাই লজ্জা বিসৰ্জন দিবনে ? সকলোৱে ? মনতে প্ৰশ্নটো আছিলেই। ইতিহাসৰ পুনৰাবৃত্তি



অসম ৰাইফলচৰ সন্মুখত মণিপুৰী নাৰীৰ সবাক প্ৰতিবাদ

হয়। সেনানায়কবোৰ একেই থাকে। সলনি হয় স্থান-কাল-পাত্ৰ। স্থান এইবাৰ মণিপুৰ। যোৱা দহ জুলাইত অসম



OKDISCP

ৰাইফলচৰ ১৭ নং বেটেলিয়নৰ। জোৱানে কাহিলী পুৱাতে উগ্ৰপন্থীৰ মিছা অপবাদ দি উঠাই লৈ যায় ৩২ বছৰীয়া থাংজাম মনোৰমাক। তিনিদনৰ পাছত ধৰ্ষিতা আৰু মৃতা মনোৰমাক পোৱা যায় কোৱা হয় -পলাব খোজোঁতে সংঘৰ্ষত হেনো মনোৰমাৰ মৃত্যু হয়।

মণিপুৰৰ মানুহৰ বাবে ই একো নতুন খবৰ নহয়। আনকি ই আমাৰ বাবেও তেনেই সাধাৰণ খবৰ। মণিপুৰৰ মানুহে প্ৰত্যক্ষ কৰিছে ১৫ বছৰীয়া সঞ্জিতা দেৱীৰ আত্মহত্যা। সেনাই কৰা আতিশয্য আৰু ধৰ্ষণৰ অপমানত অক্টোবৰত সঞ্জিতাই মৃত্যু সাৱটিলে। জেলৰ কাষ্টডিত ফেব্ৰুৱাৰীৰ পৰা মাৰ্চত ১১ জনৰ মৃত্যু। যাৰ প্ৰতিবাদত উত্তাল হৈ উঠে মণিপুৰ। প্ৰতিবাদ আজিৰ নহয়।

মণিপুৰত এখন বিশেষ এক্ট চলোৱা হয়- 'আৰ্মড ফৰ্চ স্পেচিয়েল এক্ট'। যিখনৰ আৰ্শীৰ্বাদত সেনাৰ অসীম ক্ষমতা। এই এক্ট বাতিলৰ দাবীত আজি চাৰে তিনিবছৰ জুৰি এগৰাকী অদম্য মহিলাই নিজৰ প্ৰাণ বাজী ৰাখি অনশন কৰি আছে; নাম তেওঁৰ ইৰম শৰ্মিলা চানু। মুখেৰে খাবলৈ অস্বীকাৰ কৰা শৰ্মিলাক জোৰকৈ চৰকাৰে নাকেৰে গুজি দিয়ে পানীয় খাদ্য। এই খবৰ আজি বিশ্ববিদিত। মণিপুৰী মহিলাই বলিষ্ঠ মাতেৰে ভাৰতীয় সেনা প্ৰত্যাহাৰৰ দাবীত আন্দোলন কৰিছে বহু বছৰ জুৰি। সেই আন্দোলন দমনৰে অন্য নাম হ'ল খাংজামৰ মৃত্যু। পিছে ইতিহাসৰ পুনৰাবৃত্তি হয় কিন্তু হুবহু নহয়। এইবাৰ সহস্ৰ দ্ৰৌপদীয়ে প্ৰতিবাদ কৰিছে এজনীৰ ঠাইত। 'অল মণিপুৰ চচিয়েল ৰিফৰ্মেচন এণ্ড ডেভেলপমেন্ট' নামৰ সংস্থাৰ প্ৰায় ৪০ গৰাকী মহিলাই অসম ৰাইফলচ্‌ৰ ছাউনিৰ সমুখত বৈ হুংকাৰ দিলে- 'ভাৰতীয় সেনা - ল আমাৰ মঙহ খা। আমাক সকলোকে ধৰ্ষণ কৰ।' তাৰে ২২ গৰাকী যুৱতীৰ পৰা বৃদ্ধালৈ মহিলাই বিবস্ত্ৰা হৈ সেনাৰ সমুখলৈ গৈ প্ৰত্যাহ্বান জনায়। আৰু সমগ্ৰ বিশ্বই প্ৰত্যক্ষ কৰিলে নাভূত নাশ্ৰুত প্ৰতিবাদ। কোনোৱে ক'ব- চৰ্চিত হ'বলৈ কৰা প্ৰচেষ্টা। লজ্জা নাৰীৰ ভূষণ। কোনোবাই ক'বনে, আছেনে এই দেশত নাৰীৰ লাজ? কিমান দূৰলৈ মানুহৰ মৌলিক অধিকাৰ, জীয়াই থকাৰ, কাপোৰ পিন্ধাৰ অধিকাৰ খৰ্ব হ'লে মানুহে দলিয়াই পেলাব পাৰে লজ্জা? কিমান অতীষ্ঠ হ'লে বিবস্ত্ৰা হৈ মহান সাবিত্ৰী দেৱীহঁতে মঞ্চলৈকে কঢ়িয়াই আনিব লগীয়া হয় অধিকাৰৰ সংগ্ৰাম। আহা! এটাই মাথো মানুহৰ জীৱন, তাকো বাজি ৰাখেই ইৰম শৰ্মিলাই - কিমান অতীষ্ঠ হ'লে বাৰু?

তেওঁলোকে কি কৈছেঃ আমি মনোৰমাৰ মাতৃ। আমি হত্যা ধৰ্ষণৰ বহুত আইনী বিচাৰৰ দাবীত সংগ্ৰাম কৰিলোঁ। চব মিছা। এতিয়া আমি আইনী শাস্তিত বিশ্বাস নকৰোঁ, ৰাজহুৱা শাস্তিহে বিচাৰোঁ। উত্তেজনাত মূৰ্চ্ছিত হৈ পৰে কেবাগৰাকীও। ইতিমধ্যে অনিৰ্দিষ্ট কাললৈ জাৰী কৰা সান্ধ্য আইন সত্ত্বেও ব্যাপক হৈ উঠিছে আন্দোলন। সক্ৰিয় ভূমিকা লৈছে সকলো মণিপুৰী মহিলা সংগঠনে।

সেয়েহে ভয়-ভয়, ভীষণ ভয় লাগে সেনানায়ক সকলৰ। সেয়ে - উক্ত পৰিস্থিতিত হতচকিত, বিব্ৰত বিমূঢ় হৈ পৰা সেনাৰ এজন অফিচাৰে বোলে হাতযোৰকৈ কাপোৰ পিন্ধাৰ অনুৰোধ জনাইছিল! কি হাস্যকৰ কথা। দ্ৰৌপদীৰ দৰেই আমিও কওঁঃ কাপোৰেৰে কি হ'ব, কাপোৰেৰে? নগ্নহে কৰিব পাৰ - কাপোৰ পিন্ধাবি কেনেকৈ? আচল নাওঠতো তহঁত, ভাৰতীয় সেনা। ✪

# ক্ৰান্তি দিৱসঃ শ্ৰীৰামপুৰ

*(প্ৰতিবেদকঃ ৰিমঝিম বৰুৱা)*

ঝাৰখণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ উদ্যোগত শ্ৰীৰামপুৰ গাঁৱত দিনটো জোৰা কাৰ্য্যসূচীৰে চাওতাল বিদ্ৰোহৰ জননেতা সিদো মুৰ্মু আৰু কানহু মুৰ্মুৰ স্মৃতিত ক্ৰান্তি দিৱস পালন কৰা হয়। উক্ত ক্ৰান্তি দিৱসত সভাপতিত্ব কৰে ছোট হেমৰম মহাশয়ে। বিভিন্ন বক্তা সকলে উক্ত দিৱসৰ তাৎপৰ্য্য সম্পৰ্কে ব্যাখ্যা কৰে। জে.এ.এচ.পিৰ সাধাৰণ সম্পাদক ৰবীন টুডু সহ অন্যান্য নেতা সকলে বক্তব্য আগবঢ়ায়। ✪

OKDISCD

পৰ্দা কাঁচ

# ফাৰ্ণাণ্ডেজৰ নগ্নতা ঃ দাসত্বৰ নগ্নসত্য

*- টেটোন তামুলী*

বিজেপি নেতৃত্বাধীন এনডিএ' চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰী জৰ্জ ফাৰ্ণাণ্ডেজক কেন্দ্ৰ কৰি এক বিতৰ্ক জমি উঠিছে। সেইমতে ২০০২ চনৰ আগভাগত আমেৰিকালৈ এক চৰকাৰী ভ্ৰমণত যোৱা প্ৰতিৰক্ষা মন্ত্ৰীজনক ডালচ্ বিমানবন্দৰত নগ্ন কৰি খানাতালাচ চলোৱা হৈছিল নিৰাপত্তাৰ নামত। কেৱল সিমানেই নহয় ২০০৩ চনৰ মাজভাগত আমেৰিকা হৈ ব্ৰাজিললৈ যোৱা অৱস্থাতো ফাৰ্ণাণ্ডেজক আমেৰিকাত একেদৰে নগ্ন কৰি খানাতালাচী চলোৱা হৈছিল । এই কথা সদৰী কৰিছে আন কোনেও নহয়, সৌ সিদিনালৈকে আমেৰিকাৰ উপস্বৰাষ্ট্ৰ সচিবৰ দায়িত্ব নিৰ্বাহ কৰা ষ্ট্ৰব তালবটে তেওঁৰ সদ্যপ্ৰকাশিত এখন কিতাপত। সকলো উদং হৈ পৰাৰ পাছত ফাৰ্ণাণ্ডেজে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে সঁচাই তেওঁ তেনেধৰণৰ ব্যৱহাৰৰ মুখা মুখি হৈছিল, সেইবাবে তেওঁ আকৌ আমেৰিকালৈ নাযাওঁ বুলি শপত খাই থৈছে আৰু তেওঁ সেই অপমানৰ প্ৰতিবাদ কৰিবৰ বাবে প্ৰধানমন্ত্ৰী বাজপেয়ীক জনাইছিল।



অলপতে ভাৰত ভ্ৰমণলৈ অহা বৰ্তমানৰ মাৰ্কিন উপ-স্বৰাষ্ট্ৰ সচিব ৰিচাৰ্ড আৰ্মিটেজেও এনে কথা স্বীকাৰ কৰি ফাৰ্ণাণ্ডেজক ক্ষমা খুজি পুনৰ আমেৰিকালৈ (নগ্ন হ'বলৈ?) মাতিছে। কিন্তু কথা হ'ল এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ, বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰখনৰ মহাপ্ৰতাপী প্ৰতিৰক্ষা মন্ত্ৰীজনক মাৰ্কিন মালিকহঁতে নঙঠা কৰোৱাৰ কথাটো স্বীকাৰ কৰিবলৈ তেওঁক দুবছৰতকৈ বেছি সময় লাগিল কিয়? প্ৰথমবাৰ নঙঠা হোৱাৰ পাছত দ্বিতীয়বাৰ নঙঠা হ'বলৈ তেওঁক কি উকহে খাইছিল? কিন্তু সবাতোকৈ আশ্চৰ্যকৰ কথাটো হ'ল বিশ্বদৰবাৰত ভাৰতৰ নাম উজলাই India Shining কৰিব খোজা আমাৰ বহুবক্তী প্ৰাক্তন প্ৰধানমন্ত্ৰী জনাই এই ঘটনাৰ প্ৰতিবাদত টু শব্দটোও নকৰিছিল কিয়? ৰাইজৰ পৰা গাপ দিয়া হৈছিল কিয় এই চৰম জাতীয় অপমানক? নে প্ৰকৃততে আমেৰিকালৈ যাওঁতে বাজপেয়ীহঁতেও ধূতীৰ পোন্ধ, পায়জামাৰ গাঠি খুলিব লগা হৈছিল? তেওঁলোকৰ সেই ৰাজনৈতিক কেৰাবে উপভোগ কৰাৰ বাসনা মুঠেও নাথাকিলেও কণমানি শিশুটোৰ দৰে 'আমাৰ ৰজা লেংটা' বুলি চিঞৰৰ মৰাৰ হক ৰাইজৰ আছে কিন্তু ।✪

# শ্ৰমিক নেতা আব্দুৰ ৰেজ্জাক জীয়াই আছে

(প্ৰতিবেদকঃ ৰিমঝিম বৰুৱা)

ঢালিগাঁওঃ যোৱা ১৩ জুনত আব্দুৰ ৰেজ্জাক স্মৃতিন্যাসৰ সৌজন্যত দিনটো জোৰা কাৰ্য্যসূচীৰে শ্ৰমিক নেতা তথা আৰ্মকাৰ ভূতপূৰ্ব সভাপতি আব্দুৰ ৰেজ্জাকৰ স্মৃতি দিৱস ঢালিগাঁও বৰতালোৱাস্থিত ৰেজ্জাক কুটীৰ প্ৰাঙ্গণত পালন কৰা হয়। স্মৃতিন্যাসৰ সভাপতি অঞ্জন ৰায়ৰ সভাপতিত্বত হোৱা আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ওচৰৰ হাইস্কুলৰ প্ৰতিনিধিৰে সৈতে বিভিন্নজনে অংশ গ্ৰহণ কৰে। চন্দ্ৰ অধিকাৰী, আব্দুল গনি, আব্দুল মতলিব তালুকদাৰ বিচাৰকৰ দায়িত্বত আছিল। ঢালিগাঁও হাইস্কুলে ১ম আৰু ২য় পুৰস্কাৰ পায় আৰু বি আৰ পি এল হাইস্কুলে ৩য় পুৰস্কাৰ পায়। কণমানি লৰা-ছোৱালীৰ আবৃত্তি আছিল উক্ত দিৱসৰ আকৰ্ষণীয় দিশ। পিছত 'নতুন শিক্ষা নীতিঃ লাভ আৰু ক্ষতি' শীৰ্ষক আলোচনাচক্ৰত অভয়াপুৰী কলেজৰ ভূগোল বিভাগৰ অধ্যাপক হৰেন শৰ্মা, কটন কলেজৰ প্ৰাক্তন অধ্যাপক বিশ্বজিৎ চক্ৰবৰ্তীয়ে অংশ গ্ৰহণ কৰে। উভয় বক্তাই বৰ্তমান শিক্ষা নীতিৰ কেৰোণবোৰৰ লগতে পাঠ্যপুথিৰ সংশোধন সহ শিক্ষা নীতিৰে আমূল পৰিবৰ্তন সম্পৰ্কে বিশদভাবে বৰ্ণায়। শেহত লঘু আহাৰেৰে উক্ত দিৱসৰ পৰিসমাপ্তি ঘটে।✪

বিষয়ঃ গণতন্ত্ৰ

# কেৰালা শস্ত্ৰ সাহিত্য পৰিষদ আৰু চি পি এমৰ ভিতৰমহল



আদিত্য নিগম

তেহেলকা কাকতৰ ১০ এপ্ৰিল, ২০০৪ সংখ্যাত দিল্লীৰ Centre for the Study of Developing Societies অৰ Fellow তথা বাওঁ আন্দোলনৰ লগত তিনি দশক জুৰি জড়িত বুদ্ধিজীৱী আদিত্য নিগমে এটা লেখনী লিখিছে। তাত 'কেৰালা শস্ত্ৰ সাহিত্য পৰিষদ' নামৰ দেশখনৰ অগ্ৰণী গণ-বিজ্ঞান আন্দোলনটোৰ শেহতীয়া এটা সিদ্ধান্তৰ বিষয়ে আলোচনা কৰা হৈছে। উল্লেখযোগ্য যে বাওঁ আন্দোলনৰ প্ৰভাৱত জন্ম লভা কেৰালাৰ এই প্ৰগতিশীল অনুষ্ঠানটোৱে ৰাজ্যখনৰ নিৰক্ষৰতা দূৰীকৰণ, জনগণক বিজ্ঞানমনস্ক কৰি তোলা আদি বিষয়ত বহু বৰঙণি যোগাই আহিছে। ইয়াৰ বিপৰীতে চি পি এম ৰাজ্য নেতৃত্বই অনুষ্ঠানটোৰ ওপৰত সদায় পাৰ্টিৰ কৰ্তৃত্ব জাপি দিবলৈ চেষ্টা কৰি আহিছে, যাৰ ফলত সংঘাতো ঘটিছে প্ৰায়ে। শেহতীয়াভাৱে চিপিএমে কে এচ এচ পিৰ জ্যেষ্ঠ নেতা এম.পি. পৰমেশ্বৰনক দলৰ পৰা বহিস্কাৰ কৰিছে। কি আছিল পৰমেশ্বৰনৰ অপৰাধ?



কে. এছ. এছ. পিৰ অন্যতম শিশু বিজ্ঞান আলোচনী শস্ত্ৰ কেৰলম

প্ৰতিটো সংকটে অনিবাৰ্যভাৱে বিভিন্ন শক্তিৰ সমুখত অজস্ৰ সম্ভাৱনা ডাঙি ধৰা সময়ত, হিন্দুত্ববাদী উগ্ৰ সোঁ পন্থী শক্তিয়ে দেশত তাণ্ডৱ নচা সময়ত বাওঁপন্থী দলসমূহ অপ্ৰাসংগিক হৈ পৰাৰ এনেবোৰেই কাৰণ বুলি নিগমে ক'ব খুজিছে। সত্তৰৰ দশকৰ জয়প্ৰকাশৰ গণ আন্দোলনৰ পৰা আঁতৰি থকাৰ পৰা জ্যোতি বসুক যাঁচি দিয়া প্ৰধানমন্ত্ৰীত্ব প্ৰত্যাখ্যান কৰালৈকে সকলো সুযোগৰ অপচয় বুলি লেখনীটোত আখ্যা দিয়া হৈছে।

পৰমেশ্বৰনৰ বহিস্কাৰক এটা দলৰ ভিতৰুৱা বিষয় বুলি গণ্য কৰিবলৈ অস্বীকাৰ কৰি নিগমে কৈছে যে দলীয় কথাবোৰ দলৰ ভিতৰুৱা হৈ থকাৰ বিপৰীতে সিবোৰে ৰাজহুৱা তাৎপৰ্য অৰ্জন কৰে যেতিয়া সেইবোৰ মুকলি হৈ পৰে অথবা সেইবোৰ ৰাজহুৱা স্বাৰ্থজড়িত হয়। চিপিএমৰ পলিটব্যুৰ' সদস্য ভি.এচ. অচ্যুতনন্দনে ইণ্ডিয়ান এক্সপ্ৰেছৰ তিৰুবনন্তপুৰমৰ আবাসিক সম্পাদক পৰমেশ্বৰনৰ সম্পৰ্কত বাতৰি নছপাবলৈ দিয়া ভাবুকিয়ে বিষয়টো আৰু ভিতৰুৱা কৰি ৰখা নাই।

আদিত্য নিগমৰ মতে পৰমেশ্বৰনে যুক্তি দৰ্শাইছিল যে 'বাওঁ আন্দোলনে চোভিয়েট আৰ্হিৰ সমাজবাদতকৈ মৌলিক ভাৱে পৃথক এখন নতুন পৃথিৱীৰ বাবে কাম কৰিব লাগিব।' সেইবাবেই তেওঁক 'মাৰ্ক্সবাদ-লেনিনবাদৰ প্ৰতি বিশ্বাসঘাতক' আখ্যা দিয়া হ'ল। কমঃ নিগমে সেয়ে চোভিয়েট মাৰ্কা সমাজবাদৰ পতনৰে কোনো বিশ্বাসযোগ্য কাৰণ দৰ্শাব নোৱাৰা পাৰ্টিয়ে দিয়া এনে আখ্যাক আমোদজনক আখ্যা দিছে। সমাজৰ

লেখনীটোত পৰমেশ্বৰনৰ বহিস্কাৰৰ লগত জড়িত বিষয়টোৰ পম খেদিবলৈ গৈ ১৯৭০ দশকৰ কেতবোৰ ঘটনাক চিনাক্ত কৰা হৈছে। উল্লেখযোগ্য যে সেইসময়ত কেৰালাৰ চৰকাৰে নীৰৱ উপত্যকা জলবিদ্যুৎ প্ৰকল্প নামৰ ইয়াৰ এক কুখ্যাত আঁচনি কাৰ্যকৰী কৰিবলৈ ওলাইছিল। ১২০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ অজুহাতত কুন্তীপুমা নদীত বান্ধ দি (যেন নৰ্মদা বান্ধ) পশ্চিমঘাট পৰ্বতমালাৰ আটাইতকৈ মূল্যবান

বৰ্ষাৰণ্যখনকে ধ্বংস কৰি পেলাব বিচৰা হৈছিল এই প্ৰকল্পৰ জৰিয়তে। এই প্ৰশ্নক কেন্দ্ৰ কৰিয়েই উন্নয়ন বনাম পৰিবেশ সংক্ৰান্তীয় দেশখনৰ প্ৰথম বিতৰ্কটো জমি উঠিছিল।

এই বিতৰ্কত পৰিবেশ ৰক্ষাৰ পক্ষে থিয় হৈছিল এদল পাৰিপাৰ্শ্বিকতাবাদী, যিসকল বহল অৰ্থত সেই চিপিএমৰ প্ৰতিয়েই অনুগত আছিল, যি তেতিয়া কেৰালাৰ চৰকাৰ চলাইছিল। সেই পাৰিপাৰ্শ্বিকতাবাদীসকলৰ নেতৃত্ব দিয়া বাবে পৰমেশ্বৰনক তেতিয়াৰ চি পি এম নেতৃত্বই 'চি আই এ' - এজেন্ট আখ্যা দিছিল; তেওঁ বোলে ৰাষ্ট্ৰ (তথা জাতিৰ) বিকাশক ক্ষতিগ্ৰস্ত কৰিব বিচাৰিছে। চি পি এমৰ ৰাজ্য নেতৃত্বই পৰমেশ্বৰনক গালি পাৰিবৰ বাবে লেনিনৰ উদ্ধৃতিও ব্যৱহাৰ কৰিছিল; লেনিনে জানো আমাক কোৱা নাছিল, চোভিয়েট + বিদ্যুৎ শক্তি = কমিউনিজম বুলি? কমিউনিজমৰ অপৰিহাৰ্য উপাদান বিজুলী শক্তিৰ বাবে এখন সামান্য বৰ্ষাৰণ্য ধ্বংস হ'লে তাতনো কি আহে যায়?

আমোদজনকভাৱে সেই ঘটনাৰ আঢ়ৈ দশকৰ পাছত এতিয়া যি মুহূৰ্তত কেৰালাৰ কংগ্ৰেছ নেতৃত্বাধীন মৰ্চা চৰকাৰে উক্ত জলবিদ্যুৎ প্ৰকল্প কাৰ্যকৰী কৰিবলৈ ওলাইছে, ঠিক সেই মুহূৰ্ততে পৰমেশ্বৰনক বহিস্কাৰ কৰা হ'ল চি পি এমৰ পৰা। এইখিনিতে প্ৰসংগ আহি পৰে Kerala Peoples Plan - অৰ। তৃণমুল পৰ্যায়ত জনগণক ক্ষমতা দিব খোজা এই ব্যাপক বিকেন্দ্ৰীকৰণৰ আঁচনিখনৰ ৰূপকাৰ আছিল কেৰালা চি পি এমৰ একাংশ তথা কে.এচ.এচ.পি । কিন্তু ইয়াৰ বিৰোধিতাও আহিল চিপিএমৰেই একাংশ জ্যেষ্ঠ নেতৃত্বৰ পৰা। এই গণপৰিকল্পনাক এই সকলে 'সাম্ৰাজ্যবাদী চক্ৰান্ত' বুলি আখ্যা দিলে; অথচ এই পৰিকল্পনাৰ ৰূপকাৰ আছিল চি পি এম ৰেই ৰাজ্যিক সম্পাদকমণ্ডলীৰ সদস্য টি. এম. থমাচ আইজাক, এম এ বেবী আৰু আন কেইজনমান।

এই 'সাম্ৰাজ্যবাদী চক্ৰান্ত'ৰ স্বৰূপ কি? উক্ত গণ পৰিকল্পনাত স্থানীয় আঁচনিৰ ভিত্তিত স্থানীয় স্ব-শাসনৰ নিকায়বোৰৰ জৰিয়তে বুজন পৰিমাণৰ ধন খৰচৰ দিহা কৰা হৈছিল। ফলত বিধায়ক সকলৰ ক্ষমতা কৰ্তন হ'লহেঁতেন। চি পি এমৰ ৰাজ্যিক নেতৃত্বই বিধায়ক সকলৰ পক্ষ লৈ এই পৰিকল্পনাক ভণ্ডুল কৰিবলৈ থিয় হ'ল। তাৰ লগত যোগ হ'ল পৰিবেশ বনাম উন্নয়ন বিতৰ্কও। চিপিএমৰ ৰাজ্য নেতৃত্বই পৰমেশ্বৰনহঁতৰ 'পৰিবেশ সহ উন্নয়ন'ৰ ধ্বনিৰ বিপৰীতে 'পৰিবেশৰ বিনিময়ত উন্নয়ন'ৰ পক্ষে থিয় হ'ল। সেয়ে এই বহিষ্কৰণ।

চি পি এমৰ স'তে এসময়ৰ যথেষ্ট ঘনিষ্ঠ আদিত্য নিগমে কেৰালা চিপিএমৰ ভিতৰৰ এই বিতৰ্কক সেয়ে ভাৰতবৰ্ষ তথা বিশ্বজুৰি বাওঁ আন্দোলনৰ ভিতৰত চলা বিতৰ্কৰ সৈতেই চিনাক্ত কৰিছে। 'আন এখন পৃথিৱী গঢ়ি তোলা সম্ভৱ' ধ্বনিৰ ভিত্তিত সংগঠিত ৱৰ্ল্ড চ'চিয়েল ফ'ৰামৰ মঞ্চত ঐক্যবদ্ধ শক্তিসমূহে মান্ধাতাযুগীয়া বাওঁপন্থী ৰাজনীতিৰ লক্ষণ ৰেখা লংঘন কৰিব ধৰিছে। লেখকৰ মতে অথৰ্ব, অক্ষম, বৃদ্ধ নেতৃত্বৰ পৰা নহয়, কেৰালা চি পি এমৰ যুৱ অংশ, পৰমেশ্বৰনহঁত, নাৰীবাদী, পৰিবেশ বাদী, দলিত আৰু স্বাধীনচিতীয়া বাওঁপন্থীসকলৰ ঐক্যৰ ওপৰতহে ভাৰতৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। পৰমেশ্বৰনৰ লগত সকলো কথাতে একমত হোৱা নোহোৱাটো বেলেগ কথা, সংসদীয় ৰাজনীতিৰ বন্ধঘুলিৰ বাহিৰতহে যে ভাৰতৰ বাওঁ আন্দোলন বোঁৱতী সুঁতী দোকোলটকা হৈ ব'ব, সি ধ্ৰুৱপ। ষ্টালিনীয় শৃংখলা আৰু বহিস্কৰণে সেই বানত বান্ধ দিব নোৱাৰে। ✪

## বীৰচা মুণ্ডাৰ শ্বহীদ দিৱস পালন

(প্ৰতিবেদকঃ কৃষ্ণকান্ত গগৈ)

চৰাইদেউ মহকুমা আৰু অভয়পুৰ মৌজাৰ অন্তৰ্গত ৩ নং হাওঁফাওঁ প্ৰজাবস্তি গাঁৱত যোৱা জুন ৯ তাৰিখে স্থানীয় ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ উদ্যোগত দিনজোৱা কাৰ্য্যসূচীৰে শ্বহীদ বীৰচা মুণ্ডাৰ স্মৃতিদিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষ্যে পুৱা স্থানীয় যুৱক-যুৱতী সকলৰ এখনি তীৰ প্ৰতিযোগিতা পতা হয়। মুকলি সভাত সভাপতিত্ব কৰে জে এ এচ পিৰ কেন্দ্ৰীয় সমিতিৰ সদস্যা ৰীণা মুৰ্মুয়ে। নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ দিয়ে জে এ এচ পিৰ কেন্দ্ৰীয় সমিতিৰ সদস্য জীৱন বাস্কে, স্থানীয় বিশিষ্ট নাগৰিক অন্টুলাল নায়ক আৰু ললিত শৰ্মা, আৰ্মকাৰ চৰাইদেউ জিলাৰ সভাপতি কৃষ্ণকান্ত গগৈয়ে।

অনীতা বাস্কে আৰু ৰতন হেমৰমৰ সংগ্ৰামী গীতে সভাৰ পৰিবেশ গাম্ভীৰ্যপূৰ্ণ কৰি তোলে।

ৰমেশ ৰৌতিয়াৰ শলাগৰ শৰাইৰে সভাৰ কাম সামৰণি পৰে। ✪



OKDISCD

বিতৰ্ক

# ব্যক্তিগত খণ্ডত সংৰক্ষণ !

## ভূমণ্ডলীকৰণ নহয়, এইবাৰ পুনৰ মণ্ডলকৰণ ?

■ শম্বুক

ভাৰতৰ বেচৰকাৰী খণ্ডতো অনুসুচিত জাতি-জনজাতিৰ বাবে, তথা আন নিপীড়িত সম্প্ৰদায়সমূহৰ বাবে সংৰক্ষণৰ প্ৰশ্নটো পুনৰ উত্থাপিত হৈছে। ইমান দিনে দলিত সংগঠনসমূহ আৰু কেতবোৰ গণতন্ত্ৰীয়ে উত্থাপন কৰি অহা প্ৰশ্নটো এইবাৰ উচ্চাৰিত হৈছে স্বয়ং প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ শ্ৰীমুখৰ পৰাই। কেৱল সিমানেই নহয় শাসনাধিষ্ঠিত 'সংযুক্ত প্ৰগতিশীল মৰ্চা'ৰ উমৈহতীয়া কাৰ্যসূচীতো বেচৰকাৰী-ব্যক্তিগত খণ্ডত ইতিবাচক ব্যৱস্থাৰ কথা কোৱা হৈছে। এয়া প্ৰত্যাশিতই আছিল। কাৰণ যোৱা সাধাৰণ নিৰ্বাচনত ভাৰতবৰ্ষৰ দলিত-নিপীড়িত মানুহে গোলকীকৰণ-ভূমণ্ডলীকৰণৰ সমৰ্থক, বহুজাতিক কোম্পানীৰ দালাল, সংৰক্ষণ বিৰোধী বিজেপি-সংঘ পৰিয়াল, এন ডি এ'ক ওফৰাই দিয়াৰ জৰিয়তে এনে 'ইতিবাচক ব্যৱস্থা'ৰ দাবী নিশ্চয় সজোৰ হৈছে।



সংৰক্ষণৰ প্ৰথম দাবীদাৰ
ড. আম্বেদকাৰ

সাম্ৰাজ্যবাদী-বিদেশী প্ৰভুৰ হুকুম তামিল কৰিবলৈ হৈ বিগত চৰকাৰসমূহে ব্যাপকভাৱে বেচৰকাৰীকৰণ কৰিছিল। ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান যেনে ৰেলৱে, বেংক আদিৰ পৰাও লাখ লাখ শ্ৰমিক-কৰ্মচাৰীক ছাটাই-বৰ্খাস্ত কৰা হৈছিল। আন বহুতক 'স্বেচ্ছামূলক'- বাধ্যতামূলক অৱসৰ লোওৱা হৈছিল। বৃহৎ বৃহৎ কল-কাৰখানা পানীৰ দামত সঁপি দিয়া হৈছিল ব্যক্তিগত খণ্ডত, আৰু ব্যক্তিগতখণ্ডত কোনো ধৰণৰ সংৰক্ষণ নীতি বলবৎ নথকাৰ বাবে প্ৰথমতেই তাৰ পৰা দলিত নিপীড়িতসকলক কামৰ পৰা গতিয়াই উলিয়াই দিয়া হৈছিল। আৰম্ভণিৰ পৰাই দেশখনত মিশ্ৰ অৰ্থনীতিৰ নামত অতি শক্তিশালী ব্যক্তিগত খণ্ডটো আছিলেই এতিয়া যেনিবা 'গোলকীকৰণৰ নামত এনেয়ে বুঢ়ী নাচনী, তাতে নাতিনীয়েকৰ বিয়া' হ'ল। বিজেপি চৰকাৰেতো অৰুণ শৌৰীক আগত লৈ 'নিৰ্বিনিয়োগ' বুলি এটা মন্ত্ৰীদপ্তৰেই খুলি দিলে। ফলত দলিত-নিপীড়িতসকল ইমান দিনে পাই অহা সাংবিধানিক সংৰক্ষণৰ সামান্য সুবিধাৰ পৰাও বঞ্চিত হ'ল।

আনহাতে যেতিয়া মিশ্ৰ অৰ্থনীতিৰ নামত দুয়োটা খণ্ডই বিৰাজমান আছিল, তেতিয়াও আমি ব্যক্তিগত খণ্ডতো সংৰক্ষণ বলবৎকৰণৰ দাবী তুলি আহিছিলো। এতিয়া ব্যক্তিগত কৰণে প্ৰবলৰূপ লোৱাত আমাৰ ব্যক্তিগত খণ্ডত সংৰক্ষণৰ দাবীয়েও প্ৰবল ৰূপ ধাৰণ কৰিলে। আৰু তাৰেই পৰিণতিত আজি সংযুক্ত প্ৰগতিশীল মৰ্চাৰ ন্যূনতম কাৰ্যসূচীত নীতিগতভাৱে হ'লেও কথাষাৰ উল্লেখ কৰিব লগা হৈছে। কেৱল সিমানেই নহয় মহাৰাষ্ট্ৰৰ কংগ্ৰেছ-এন-চি-পি চৰকাৰে ইতিমধ্যেই ব্যক্তিগত খণ্ডত দলিত আৰু পাছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ সপক্ষে এক বিল গৃহীত কৰাইছে। বিজেপি- শিৱসেনাই প্ৰত্যাশিত ধৰণেই ইয়াৰ বিৰোধিতা কৰিছে। অৱশ্যে এই আইন চৰকাৰী সাহায্যপুষ্ট বেচৰকাৰী উদ্যোগবোৰৰ ক্ষেত্ৰতহে সদ্যহতে প্ৰযোজ্য হ'ব।

ব্যক্তিগতখণ্ডত সংৰক্ষণৰ বিৰোধিতা কৰাসকলে নিশ্চয় প্ৰশ্ন তুলিব, চৰকাৰীখণ্ডত সংৰক্ষণ বলবৎ থকাৰ পাছতো বেচৰকাৰী খণ্ডত এই সংৰক্ষণ কিয় ? উত্তৰটো এই যে আনকি চৰকাৰী খণ্ডতো সংৰক্ষণ কেতিয়াও আখৰে আখৰে কাৰ্যকৰী হোৱা নাছিল। উদাহৰণ স্বৰূপে ১৯৯৯ চনতো ভাৰতৰ উচ্চ ন্যায়ালয়সমূহৰ ৪৮১ জন ন্যায়াধীশৰ ভিতৰত মাত্ৰ ১৫ জনহে আছিল অনুসূচিত জাতিৰ। সৰ্বোচ্চ ন্যায়ালয়ৰ ২১ জন ন্যায়াধীশৰ ভিতৰত এজনো দলিত নাছিল। ১৯৯৫ চনত কেন্দ্ৰীয় চৰকাৰৰ প্ৰথম শ্ৰেণীৰ চাকৰিত দলিতৰ সংখ্যা

OKDISCD

আছিল মাত্ৰ ১০ শতাংশ (তেওঁলোকৰ জনসংখ্যা ১৫ শতাংশ, সেইমতে ১৫ শতাংশ সংৰক্ষণ থকাৰ পাছতো)। স্বাভাৱিকতে বেচৰকাৰীকৰণে সংৰক্ষণ বিলোপ কৰি তেওঁলোকৰ দশা শোচনীয় কৰি তুলিছে। কাৰণ বেচৰকাৰী খণ্ডত উচ্চবৰ্ণৰ বাবেহে ১০০ শতাংশ সংৰক্ষণৰ নীতিত বিশ্বাস কৰা হয়।

আৰু নিয়োগৰ ক্ষেত্ৰত চৰকাৰী নিয়ন্ত্ৰণ-বৰ্হিভূত ক্ষেত্ৰবিলাকতেইবা কি চলিছিল ? ছপা আৰু বৈদ্যুতিক মাধ্যম, ন্যায়পালিকা, ক্ৰীড়া, তথ্যপ্ৰযুক্তি, বোলছবি এইবিলাকতো দলিত, জনজাতি, পাছপৰা শ্ৰেণী আদিৰ নিযুক্তি প্ৰায় শূন্য। ফলস্বৰূপে সামাজিক প্ৰভাৱ বিস্তাৰৰ ক্ষেত্ৰবোৰত তেওঁলোক অনুপস্থিত হৈয়ে ৰৈছে। দলিত-জনজাতি-অ' বিচি-সংখ্যালঘুসকল তেনেবোৰ ক্ষেত্ৰত সদায়েই লক্ষ্মণ ৰেখাৰ বাহিৰত। এই কথা হয়তো নগৰীয়া অভিজাত, উচ্চবৰ্ণ বুদ্ধিজীৱীসকলে কাহানিও বুজি নাপাব। কাৰণ তেওঁলোকে কেতিয়াও সেইগৰাকী দলিত মাতৃৰ অনুভূতি বুজিব নোৱাৰে যি নিজ সন্তানক গাখীৰ খুওৱাৰ সলনি, সিহঁতক এমুঠি খুৱাই পঢ়াশালিলৈ পঠোৱাৰ সলনি সিহঁতকো লগত লৈ কাডৰীপুৱাতে আনৰ মল-মূত্ৰ পৰিস্কাৰ কৰিবলৈ যায়, সেইবোৰ মূৰত কঢ়িয়াই নিয়ে। পিয়াহত আতুৰ হৈ ৰাজহুৱা কুঁৱাৰ পৰা পানী এচলু খাবলৈ গৈ যেতিয়া আক্ৰান্ত আৰু অপমানিত হ'ব লগা হয়, তেতিয়া তেওঁলোকে হাড়ে হাড়ে বুজে ভাৰতীয় জাতি-বৰ্ণবাদ আৰু অস্পৃশ্যতাৰ মহিমা। হয়, আজিৰ তাৰিখতো ভাৰতৰ বিভিন্ন প্ৰান্তত এই কথা সত্য।

এই সম্পৰ্কে ভাৰতৰ দলিত সকলৰ দুই বিশিষ্ট বৌদ্ধিক-ৰাজনৈতিক নেতা ক্ৰমে অধ্যাপক কাঞ্চা ইলায়া আৰু ইণ্ডিয়ান জাষ্টিচ পাৰ্টিৰ অধ্যক্ষ উদিত ৰাজে কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। বাওঁপন্থী নহয়, বুৰ্জোৱা গণতান্ত্ৰিক দৃষ্টিভংগীৰেই তেওঁলোকে সংৰক্ষণৰ সপক্ষে শক্তিশালী যুক্তি আগবঢ়াইছে। উল্লেখযোগ্য যে বিজেপি-সংঘপৰিয়ালকে ধৰি ভাৰতৰ বহু ৰাজনৈতিক দলৰ নেতৃবৃন্দ আৰু বহু অভিজাত, উচ্চবৰ্ণ বুদ্ধিজীৱীৰ বাবে আমেৰিকা হৈছে ভূস্বৰ্গ, সমগ্ৰ বিশ্বৰ আৰ্হি। কিন্তু তেনেহেন আমেৰিকাতো ব্যক্তিগত খণ্ডতো কৃষ্ণাংগ, আফ্ৰ-আমেৰিকান, হিস্পানিক, খিলঞ্জীয়া জনজাতি আদিৰ বাবে সংৰক্ষণৰ ব্যৱস্থা আছে। অলপতে মিচিগান বিশ্ববিদ্যালয়ত এটি শ্বেতাংগ ছাত্ৰই তেওঁৰ কৃষ্ণাংগ সহপাঠীতকৈ বেছি নম্বৰ পায়ো তাৰ আইন শাখাত নামভৰ্তি কৰিব নোৱাৰিলে। ফলত বিক্ষুব্ধ হৈ ছাত্ৰটিয়ে দেশখনৰ সৰ্বোচ্চ ন্যায়ালয়ত উক্ত সংৰক্ষণৰ বিৰুদ্ধে গোচৰ তৰিলে। আমেৰিকাৰ বহু শৈক্ষিক অনুষ্ঠান, দাতব্য প্ৰতিষ্ঠান, মানৱ অধিকাৰ তথা গণতান্ত্ৰিক অধিকাৰ সংগঠনে সমৰ্থন কৰিলে কৃষ্ণাংগ ছাত্ৰটিক। অৱশেষত সৰ্বোচ্চ ন্যায়ালয়েও এই বিপুল জনমতৰ লগত ৰজিতা খুৱাই কৃষ্ণাংগ ছাত্ৰটিৰ পক্ষে, সংৰক্ষণৰ পক্ষে ৰায় দিবলৈ বাধ্য হ'ল।

আমি আমেৰিকান সাম্ৰাজ্যবাদক বিশ্বজনগণৰ একনম্বৰ শত্ৰুৰূপে গণ্য কৰোঁ। কিন্তু ভাৰতৰ বহু বিশিষ্ট লেখক-বুদ্ধিজীৱী-সাংবাদিক-জননেতাৰ বাবে আমেৰিকা দেৱপুৰী, স্বপ্নৰাজ্য, আদৰ্শ আৰ্হি। সেইসকলকে বিনম্ৰভাৱে সুধিব খুজিছোঁ, বোলো বাওঁপন্থী হ'ব নালাগে, নক্সালপন্থী হ'ব নালাগে, দলিত-সংখ্যালঘু একো হ'ব নালাগে, ভাল বুৰ্জোৱা গণতন্ত্ৰী একোজনেই হওকচোন। গণতন্ত্ৰৰ ন্যূনতম দাবী অনুসৰি সমাজৰ আটাইতকৈ দলিত-নিৰ্যাতিত-নিপীড়িতসকলৰ মানৱীয় অধিকাৰখিনিকে মানি লওকচোন। পাৰিমনে বাৰু আমি আমাৰ মনুবাদী মানসিকতাৰ পৰিবৰ্তন ঘটাই সিমানখিনি মানৱতাবাদী হ'ব ? 'মহত্তৰ চিন মাহনিত' বুলি কোৱা ফকৰা যোজনাৰ দৰেই আমাৰ গণতন্ত্ৰৰ কষটিশাল বুলি পৰিগণিত হ'বনেকি কেৰাণী-মহৰীৰ চাকৰিবোৰেই ? দেখিলেহে লেখিম কাৰণ ভূমণ্ডলীকৰণৰ বিপৰীতে মণ্ডলীকৰণহে জোৰদাৰ হ'ব অনাগত দিনবোৰত। ✪

১৪ পৃষ্ঠাৰ পৰা

sponsored act of violence" অনমনীয় মাইকেল মূৰে আনকি আমেৰিকান টেলিভিচনৰ এজন প্ৰধান বিষয়া ডিক ক্লাৰ্কৰ লগত কথাছবিখনত মুখামুখি এক বিতৰ্কও কৰে।

'Fahrenheit,9/11' ত মাইকেল মূৰে জৰ্জ বুশ্বৰ ইৰাক যুদ্ধৰ অভিযোগবোৰৰ যুক্তি সমূহৰ গভীৰলৈ সোমাই গৈ এইবোৰক বিতৃষ্ণা আৰু ঘৃণাৰে উপস্থাপন কৰে। আল ঘাৰিবৰ বন্দীশালত ইৰাকী যুদ্ধ বন্দীৰ বিৰুদ্ধে কৰা নিকৰুণ অবৰ্ণনীয় শাৰীৰিক নিৰ্যাতন তথা যৌন নিৰ্যাতনৰ কেইখনমান চিত্ৰও তেওঁ দেখুৱাবলৈ আস্পৰ্ধা কৰিছিল। এইদৰেই নিজ দেশ আমেৰিকাতে মাৰ্কিন সাম্ৰাজ্যবাদৰ বিৰুদ্ধে থিয় হৈ মাইকেল মূৰ হৈ পৰিছে এক ইস্পাতকঠিন সংগ্ৰামী নায়ক। মাইকেল মূৰ অৱশ্যেই আমাৰ বাবে প্ৰত্যাশিত বসন্তৰ বতৰা, ক্লান্তিজীৰ্ণ জনজীৱনত দগমগ পোহৰ। ✪



OKDISCD

আন্তৰ্জাতিক

# বিশ্ব সামাজিক মঞ্চ, ব্ৰাজিল, ২০০৫

■ একলব্য



মুম্বাইৰ বিশ্ব সামাজিক মঞ্চত
একলব্য একাডেমী

২০০৪ চনৰ মুম্বাইত অনুষ্ঠিত বিশ্ব সামাজিক মঞ্চত উপস্থিত আছিলোঁ। আমি যোৰহাটৰ একলব্য একাডেমীৰ সদস্য-সদস্যা সকল। সাম্ৰাজ্যবাদ কবলিত যন্ত্ৰণাবিধূৰ পৃথিৱী এখনৰ বিপৰীতে আশাউজ্জ্বল আন এখন পৃথিৱীৰ বাবে যে লাহে লাহে বৃহত্তৰ আৰু মহত্তৰ আন্তৰ্জাৰ্তিক মঞ্চ এটা থিয় হৈছে আৰু সমান্তৰাল হ'বলৈ গৈ আছে সেই কথা সন্দেহাতীতভাবে বুজি পালো।

বিশ্ব সামাজিক মঞ্চৰ নতুন দুনিয়া অভিমুখী বৰ্ণময় স্মৃতি লৈ ঘূৰি আহিছিলোহে মাত্ৰ তেনেতে যোৱা ২৮ মে' তাৰিখে আমাৰ হাতত আহি পৰিল বিশ্ব সামাজিক মঞ্চ (২০০৫)ৰ আয়োজক সকলৰ এখন নিমন্ত্ৰণী পত্ৰ। আয়োজকসকলে প্ৰথমেই লিখিছে যে এই চিঠি অহা বছৰ ২৬ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ ব্ৰাজিলৰ পৰ্ট' এলেগ্ৰেত অনুষ্ঠিত হ'বলগীয়া বিশ্বসামাজিক মঞ্চলৈ এনে শ শ ভাষাত তেওঁলোকে পঠাইছে। ২০০১,২০০২,২০০৩ আৰু ২০০৪ (প্ৰথম তিনিবাৰ ব্ৰাজিলৰ পৰ্ট' এলেগ্ৰেত) অনুষ্ঠিত হোৱাৰ পাছত ২০০৫ চনৰ ব্ৰাজিলৰ অনুষ্ঠানলৈ তেওঁলোকে ইতিমধ্যে চিঠি পঠালেই। ইমান সোনকালে আয়োজনৰ প্ৰচেষ্টা আৰম্ভ কৰাৰ এক বিশেষ তাৎপৰ্য আছে বুলিও তেওঁলোকে আমালৈ লিখিছে। তেওঁলোকে লিখিছে যে আগৰ কিবাৰতকৈ অহাবাৰৰ (২০০৫) বিশ্ব সামাজিক মঞ্চত ব্যাপক সলনি হ'ব। তেওঁলোকে লিখিছে -' আমি বিশ্ব সামাজিক মঞ্চৰ বৰ্ণাঢ্যতা অক্ষুণ্ণ ৰাখিব বিচাৰোঁ। কিন্তু একে সময়তে ইয়াক অতি ব্যাপকভাবে বিয়পাই দিব বিচাৰোঁ তথা বিভিন্ন দেশৰ অংশগ্ৰহণকাৰী অনুষ্ঠান সমূহৰ দ্বাৰা পৰিবেশিত হবলগীয়া বিভিন্ন কাৰ্যসূচীসমূহৰ মাজত বৈচিত্ৰৰ মাজতো ঐক্য তথা দৃঢ় যোগসূত্ৰ থকাটো বিচাৰোঁ। এই কৰিবলৈ যাওঁতে আমি এইবাৰ আন্তৰ্জাৰ্তিক পৰিষদে 'বৃহৎ বৃহৎ অনুষ্ঠান' অৰ্থাৎ সন্মিলন, আলাপ আলোচনা আৰু মেজমেলসমূহ আৰু লগতে নিজে আয়োজন কৰা অনুষ্ঠান (Self organised events) সমূহৰ বাবে সোনকালে যোগাযোগ কৰিবলৈ বিচাৰিছোঁ। সেয়ে আপোনালোকৰ প্ৰত্যক্ষ উপস্থিতি তথা সহায় বিচাৰিছো। এইদৰেই আমি নতুন কাৰ্য্যক্ৰম আৰম্ভ কৰিছোঁ।" বিশ্ব সামাজিক মঞ্চৰ আন্তৰ্জাতিক সচিবে লিখা চিঠিখনত বিশেষ অনুৰোধসহ লিখিছে এনেদৰে "ইন্টাৰনেটত আমাৰ লগত যোগাযোগ কৰক। আমি ২০০৫ ৰ ৱৰ্ল্ড চচিয়েল ফৰাম আগৰ তুলনাত বহুব্যাপ্ত আৰু অধিক দৃঢ় কৰি তুলিমেই। উষ্ণ অভিনন্দন !"

তেওঁলোকে আৰু লিখিছে যে ২০০৫ চনৰ বিশ্ব সামাজিক মঞ্চত বৃহৎ বৃহৎ কৰ্মশালা আৰু আলোচনা চক্ৰসমূহ তেওঁলোকে অলপ বেলেগ কৰিব বিচাৰে। সকলো সংগঠনে যি কেইটা বিতৰ্কিত আন্তৰ্জাতিক ঘটনা, সমস্যা তথা সংগ্ৰামৰ ওপৰত আলোচনা কৰিব বিচাৰে সেই বোৰৰ ওপৰত শৃংখলাবদ্ধভাবে এতিয়াৰ পৰাই আলোচনা আৰম্ভ হ'ব, এতিয়াই



মুম্বাইৰ আন্তৰ্জাতিক যুৱ মঞ্চত
একলব্য একাডেমী

WSF ৰ ফৰ্ম ভৰ্তি বাধ্যতামূলক নহলেও কোনোবাই এইকাম কৰিলে তেওঁলোকৰ সুবিধা হ'ব।

এইবাৰৰ WSF ত কোনো অতি মুখ্য বিষয় নাথাকিব। কিন্তু সকলোবোৰ প্ৰধান আন্তৰ্জাতিক বিষয়ৰ ওপৰত সমানে গুৰুত্ব থাকিব। ২০০১ চনৰ পৰ্ট' এলেগ্ৰেৰ প্ৰথম বিশ্ব সামাজিক মঞ্চত ৪২০ টা স্ব-আয়োজিত অনুষ্ঠান হৈছিল। ২০০৪ চনত এই সংখ্যা হ'লগৈ ১২০০ টা এইবাৰ অৰ্থাৎ ২০০৫ ত এই বৈচিত্ৰ বঢ়োৱাৰ ওপৰত অত্যন্ত গুৰুত্ব দিয়া হ'ব।

আৰু অনেক কথাৰে এখন দীঘলীয়া চিঠি পৰ্ট' এলেগ্ৰৰ পৰা আমি পাইছো। এই চিঠিখনে আমালৈ কঢ়িয়াই আনিছে আমাৰ দিনৰ সকলোতকৈ মহত্তম খবৰটোৰেই বাৰ্তা। বিশ্ব সামাজিক মঞ্চৰ অগ্ৰগতি আৰু বিকাশে যেন আমাক বাৰে বাৰে কৈছে- শীতৰ শেষত বসন্ত আহেই, অস্তমিত দিগন্ততো থাকে পোহৰৰ ৰেঙণি। ✪

২ পৃষ্ঠাৰ পৰা

চাহ উদ্যোগৰ 'সংকট' ...

নীলামকাৰী সংস্থা কেৰিট মৰাণৰো মালিক। এনে চাৰিটা নীলামকাৰী সংস্থাই প্ৰকৃতাৰ্থত পূব-ভাৰতৰ তিনিখন চাহ নীলাম বজাৰ নিয়ন্ত্ৰণ কৰে। এনেকৈয়ে ক্ৰেতা-বিক্ৰেতা মিলি একাকাৰ হৈ একক চৰিত্ৰ অৰ্জন কৰিছে। আনকি যেতিয়া ক্ৰেতা-বিক্ৰেতাক ইমান স্পষ্টভাৱে একেটা পক্ষ বুলি চিনিবও নোৱাৰি, তাতো বেনামদাৰৰ জৰিয়তে কামটো চলোৱা হয়। তাত জড়িত থাকে বিক্ৰেতাৰ সৈতে গোপন, ক'লাটকাৰ লেন-দেন। আনকি য'ত ক্ৰেতা- বিক্ৰেতাই নীলামকাৰীৰ মালিকানা নকৰে, তাতো নীলামকাৰীৰ স্বাৰ্থৰ লগত ক্ৰেতা-বিক্ৰেতাৰ স্বাৰ্থ সাঙোৰ খাই থাকে। পাৰস্পৰিক ভাৱে লাভজনক ঋণ, আগতীয়া ক্ৰয় (forward buying) আদিৰ জৰিয়তে তেনে লেনদেন চলে। সেয়েহে নীলাম বজাৰত হিচাবৰ খাতাত থকা বিক্ৰীমূল্যৰ লগত প্ৰকৃত মূল্যৰ আকাশ-পাতাল পাৰ্থক্য থাকে। ফাৰ্গুচনে যেতিয়া নীলাম সংগঠকসকলৰ উদাৰীকৰণৰ কথা কয়, তেতিয়া তাৰ দ্বাৰা তেওঁলোকে এইটোকে বুজায় যে নীলামকাৰী হিচাপে বহুত বেছি সংস্থা আহিলে এনেকৈয়ে গোপন বুজাবুজিৰে মূল্য নিৰ্দ্ধাৰণ কঠিন হৈ পৰিব। কিন্তু নীলাম নিয়ামক যি ব্যৱস্থা বৰ্তমানে আছে তাৰ পৰিবৰ্তন নসধালৈকে এনেকৈ মূল্য নিৰ্ধাৰণ আৰামচে' চলি থাকিব।

মূল্য-নিৰ্দ্ধাৰণ আন পদ্ধতিৰে কৰা হয়। দেশীয় বজাৰৰ বৃহত্তম খুচুৰা বিক্ৰেতা ইউনিলিভাৰ (বজাৰৰ ৮০ শতাংশ নিয়ন্ত্ৰণ কৰে) আৰু টাটাই (বজাৰৰ ২০ শতাংশ নিয়ন্ত্ৰণ কৰে) তেওঁলোকৰ একচেতিয়া অৱস্থানৰ জৰিয়তে নীলাম বজাৰো নিয়ন্ত্ৰণ কৰিব পাৰে আৰু তাকে কৰেও। নীলাম বজাৰত ইউনিলিভাৰৰ অনুপস্থিতিয়ে মূল্য কোঁ কোঁকৈ তললৈ নমাই আনিব পাৰে। সেইটো ইউনিলিভাৰে ঠিকেই বুজি পায় আৰু তাৰ বাৰুকৈ সুযোগো লয়।

আমাৰ মহান, উদাৰ কেন্দ্ৰীয় চৰকাৰে ১৯৮৪ চনৰ টি মাৰ্কেটিং কণ্ট্ৰল অৰ্ডাৰখন কাৰ্যতঃ বাতিলেই কৰিছে। এই নিৰ্দেশ অনুসৰি উৎপাদকসকলৰ অন্ততঃ ৭৫ শতাংশ চাহ নীলাম বজাৰৰ জৰিয়তে বিক্ৰী কৰাটো বাধ্যতামূলক আছিল। ইয়াৰ ফলত নীলাম বজাৰখন হৈ পৰিছিল ক'লা টকাৰ লেন-দেন আৰু asset stripping- অৰ বাবে সৰু আৰু মধ্যমীয়া চাহ মালিক কেতবোৰৰ আড্ডাখানা ; প্ৰকৃততে এওঁলোক বণিয়াৰ বাহিৰে আন একো নহয়। হিচাবৰ খাতাত দেখুওৱা মূল্যবোৰৰ লগত প্ৰকৃত মূল্যৰ কোনো সম্পৰ্ক নাথাকে।

চাহ মালিকগোষ্ঠীবোৰে নীলাম-মূল্যৰ এনে হ্ৰাসৰ সম্পৰ্কে সতকাই আগবঢ়োৱা ব্যাখ্যাটো এনেধৰণৰঃ (১) ৰপ্তানি হ্ৰাস (২) বিদেশৰ চাহ আমদানি আৰু (৩) কম-খৰচী 'বটলিফ ফেক্টৰী'ৰ পৰা অহা প্ৰতিযোগিতা।

পূৰ্বৰ চোভিয়েট ইউনিয়নৰ পতনৰ লগে-লগে সেই দেশলৈ ভাৰতীয় চাহৰ ৰপ্তানি একেবাৰে কমি গ'ল সঁচা। কাৰণ সেইখন দেশ আছিল ভাৰতীয় চাহৰ বৃহত্তম ক্ৰেতা। আনহাতে চোভিয়েট ইউনিয়নৰ ঠাইত গঠিত 'কমনৱেলথ অৱ ইণ্ডিপেণ্ডেণ্ট ষ্টেট্চ'তো (CIS) নব্বৈৰ দশকৰ প্ৰথমছোৱাত ভাৰতীয় চাহৰ বজাৰ অনিশ্চিত হৈ থাকিল। সেইছোৱা সময়ত এটা সাময়িক সংকট হৈছিল, সিও সঁচা। কিন্তু তাৰ পাছৰ পৰাই CIS দেশবোৰতো চাহিদা দ্ৰুত বাঢ়ি আহিছে। যোৱা বছৰত ৰপ্তানি কমিছিল যদিও অতি সামান্যকৈ; মাত্ৰ ২০ নিযুত কেজিহে কমিছিল। কিন্তু নতুন-নতুন দেশলৈ চাহ ৰপ্তানি হ'বলৈ লোৱাত চোভিয়েট সংকটৰ ক্ষতিপূৰণ বাৰুকৈ হৈ গ'ল। উদাহৰণস্বৰূপে, মাৰ্কিনী দখলৰ আগতে ইৰাক আছিল ভাৰতীয় চাহৰ এক ডাঙৰ ক্ৰেতা আৰু ২০০২ চনত ভাৰতক ত্ৰাণকৰ্তাৰূপে বচোৱাৰ ক্ষেত্ৰতো ইৰাকৰ বিশেষ ভূমিকা আছিল। ইণ্ডিয়ান টী এচ'চিয়েশ্যনে ২০০৩ চনত ২২ নিযুত কেজি চাহ কমকৈ ৰপ্তানি হ'ব বুলি পূৰ্ব-ধাৰণা কৰিছিল। কিন্তু পাকিস্তানৰ লগত ১০ নিযুত কেজি চাহ ৰপ্তানিৰ বাবে এইবছৰ স্বাক্ষৰিত চুক্তি তথা তাতোকৈ বেছি ৰপ্তানিৰ আশাই সেই আশংকাও দূৰ কৰি আনিছে। যিবোৰে দেশে মোম্বাচাত বৃহৎ পৰিমাণে কেনিয়ান চাহ কিনিবলৈ গৈছিল সেইবিলাকেও তাত কেজি প্ৰায় ১০০ টকা দেখি নিকিনি ঘূৰি আহি ভাৰতীয় চাহ কিনিবলৈ ধৰিছে। এতেকে ৰপ্তানিৰ চিত্ৰখন যিমান নিৰাশাজনক বুলি দেখুওৱা হয়, প্ৰকৃততে তেনে নহয়। চোভিয়েট ইউনিয়নৰ পতন ঘটি আমাৰ চাহ ৰপ্তানিৰ ক্ষেত্ৰত প্ৰকৃত কঠিনতা সৃষ্টি হোৱা সময়ত উক্ত কঠিনতা নঘটিল আৰু এতিয়া যেতিয়া ৰপ্তানিৰ নতুন ব্যৱস্থা হ'ব ধৰিছে, তেতিয়াহে সংকট হৈছে বুলি কোৱাৰ পৰাই জোলোঙাৰ মেকুৰী ওলাই পৰিছে। মূল্যৰ পতন ঘটাটো দূৰৰে কথা, সি বাঢ়িবই লাগিছে।

OKDISCD

চাহ-সম্রাটসকলে ৰটি ফুৰা আন এটা অপপ্ৰচাৰ হৈছে বিদেশৰ চাহৰ আমদানিৰ ফলত চাহ-সংকট ঘটিছে। কিন্তু, বিদেশৰ, বিশেষকৈ শ্ৰীলংকাৰ ওখ ঠাইত গজা চাহ ভাৰতলৈ বহু বছৰ জুৰিয়েই ৰপ্তানি কৰি থকা হৈছে; বৰ্তমানৰ তথাকথিত সংকটৰ বহু বছৰ আগৰে পৰা। শ্ৰীলংকাৰ চাহ প্ৰধানতঃ ভাৰতৰ ঘৰুৱা বজাৰৰ বাবে নহয়। ইয়াতকৈ নিম্ন মানদণ্ডৰ দক্ষিণ ভাৰতীয় চাহৰ সৈতে ব্লেণ্ডিং কৰি ৰপ্তানি বজাৰলৈহে পঠোৱা হয়। তেনেকৈ আমদানি কৰা চাহ হৈছে আমাৰ মুঠ উৎপাদনৰ মাত্ৰ ২ শতাংশ আৰু তাৰো ৯৮ শতাংশ কেৈই পুনৰ ৰপ্তানি কৰা হয়। টাটাৰ শ্ৰীলংকাত কেবাখনো ডাঙৰ বাগিছা আছে। সেয়েহে সিহঁতেই হৈছে প্ৰধান আমদানি-ৰপ্তানিকাৰী।

Bought Leaf Factory ৰ পৰা অহা প্ৰতিযোগিতা হৈছে আন এটা বিভ্ৰান্তিকৰ কথা। এইটো সঁচা যে এনে ফেক্টৰীবোৰ আৰু সিবোৰলৈ কেঁচা চাহ যোগান দিয়া বাগানবোৰত শ্ৰমিকসকলক কম মজুৰী দিয়া হয়। সিবিলাকৰ উৎপাদন ব্যয়ো কম। কিন্তু গ্ৰাহকে যেতিয়া এখন সম্প্ৰসাৰিত বজাৰতো ক্ৰমবৰ্দ্ধমান দামতে সদায় চাহ কিনিব লাগে, তেনেহ'লে এই ফেক্টৰীবোৰনো কম দামত দিব পাৰিলে বুলিয়েই দিবনে? সিবিলাকে দেখুৱা বিক্ৰীমূল্য সদায় নহ'লেও কেতিয়াবা বাগিছাৰ মূল্যতকৈ কম। কিন্তু সেয়া হৈছে বাগিছাবোৰ জড়িত থকা ঠগ-প্ৰৱঞ্চনাৰেই একোটা অংশ। তেওঁলোকে তেনে কম মূল্য দেখুৱাব পাৰে কম উৎপাদন মূল্যৰ বাবেই। তেনে ফেক্টৰীবোৰ, আৰু নতুন বাগিছাবোৰৰ বিষয়ে আৰু এটা কথা মনত ৰাখিব লাগে। সেয়া হৈছে সেইবোৰৰ বহুতেই প্ৰকৃততে ডাঙৰ বাগিছা মালিকৰে মালিকানাধীন। বৃহৎ চাহ বাগিছা আৰু বৃহৎ বটলিফ ফেক্টৰীবোৰৰ জৰিয়তে ডাঙৰ বাগিছা মালিকেই চাহ উৎপাদনৰ সকু ক্ষেত্ৰবোৰো নিয়ন্ত্ৰণ কৰে। সেয়েহে বটলিফ ফেক্টৰীবিলাকৰ বিষয়ে ডাঙৰ মালিক বিলাকে কৰা চিএৰ বাখৰো এক অপ-প্ৰচাৰহে মাত্ৰ।

তেনেহ'লে চাহ উদ্যোগ আৰু ইয়াৰ সম্ভাৱনাৰ ক্ষেত্ৰত তথাকথিত সংকটৰ প্ৰকৃত কাৰণবোৰ কি? প্ৰথমতে সম্ভাৱনাৰ কথাই চাওঁ। আন্তৰ্জাতিক বজাৰত এতিয়া উৎপাদন কম্তিহে হৈছে; সেই উৎপাদনত আমাৰ অংশ বাঢ়িবহে, নকমে। সেয়েহে ৰপ্তানিকাৰীসকলে যে ইতিমধ্যেই বৰ্তমান আৰু ভৱিষ্যতত অতি ভাল সম্ভাৱনাৰ কথা কৈছে, তাত আচৰিত হ'বলগা একো নাই, আনকি বহুতে ২০০৪ চনৰ মাজভাগতে অতি লাভজনক অৱস্থা এটা (Boom) ৰো ভৱিষ্যতবাণী কৰিছে। ঘৰুৱা বজাৰৰো সম্প্ৰসাৰণ হ'ব লাগিছে; বৃদ্ধি ঘটিছে মূল্যৰ।

এই অতিশয় ভাল সম্ভাৱনাবোৰেও চাহ-সম্ৰাটসকলক সন্তোষ দিব নোৱাৰে। তেওঁলোকে শ্ৰমিকসকলক চেপি-খুন্দি অতি মুনাফা আদায় কৰিব বিচাৰে; শ্ৰমিকসকলক চৰম অসুবিধালৈ ঠেলি দি শ্ৰম পুঁজি সম্পৰ্কৰ পুনৰবিন্যাস কৰিবলৈও বিচাৰে তেওঁলোকে। প্ৰথমতে সৰু সুৰা বণিয়া পুঁজিয়ে পৰিস্থিতিৰ উমান লোৱাৰ উদ্দেশ্যেৰে শ্ৰমিকৰ ওপৰত আক্ৰমণ আৰম্ভ কৰিছিল যদিও অচিৰেই ডাঙৰ মালিকসকলৰ সন্মতি আৰু উৎসাহ তাত নিহিত হৈ থকাটো স্পষ্ট হৈ পৰিল। যেতিয়া শ্ৰমশক্তিয়ে পুঁজিৰ মুখামুখি হ'বলৈ অক্ষম হ'ল (নিজা ৰাজ্যলৈ দেশী বিদেশী পুঁজিক আকৰ্ষিত কৰাৰ প্ৰতিযোগিতাত নমা বাওঁপন্থীসকলৰ দ্বাৰা পৰিচালিত ট্ৰেড ইউনিয়নবিলাকেও পুঁজিলৈ ভুল সংকেত যায় বুলি ভয়তে নিমাতে ৰ'ল), তেতিয়া ডাঙৰ পুঁজিপতি-চাহমালিকবোৰো শ্ৰমিকৰ বিৰুদ্ধে জপিয়াই পৰিল। এতিয়া সমগ্ৰ চাহ-উদ্যোগেই মজুৰীৰ আধা কমাই দিয়াৰ, ৰেচন আদি অন্যান্য সা-সুবিধাবোৰো বন্ধ কৰি দিয়াৰ (Plantation Labour Act এ যিবোৰ ধাৰ্য কৰি দিছিল) দাবী তুলিছে।

চুবুৰীয়া পশ্চিমবংগৰ বৃহত্তম চাহ-উৎপাদনকাৰী জিলা জলপাইগুড়িত দেখা গৈছে যে যিবোৰ বাগান বন্ধ হৈ গৈছে সেইবিলাকে ইতিমধ্যে বেংকঋণ, অনুদান আদি তাৰপৰা আন ক্ষেত্ৰলৈ উলিয়াই লৈ গৈছে আৰু সকলো মুনাফাক 'ব্লেকমানি'ত পৰিণত কৰিছে স্বচ্ছতাবিহীন বিক্ৰীৰ জৰিয়তে, সিবিলাকে আনকি ভৱিষ্যনিধি আৰু জীৱনবীমালৈ শ্ৰমিক কৰ্মচাৰীৰ বৰঙণিও হস্তগত কৰাৰ, বিশ্বাসভংগ আৰু আত্মসাৎকৰণৰ অভিযোগতো অভিযুক্ত হৈছে। চাহমালিক, ট্ৰেড ইউনিয়ন মাফিয়া, পুলিচ আৰু দুৰ্নীতিগ্ৰস্ত প্ৰশাসনীয় বিষয়াবোৰৰ এক দুষ্টচক্ৰই লৌহহস্তে বাগিছাবোৰ চলাইছে। সেয়েহে অসংখ্য অনাহাৰ মৃত্যুৰো কোনো প্ৰবল প্ৰতিক্ৰিয়া হোৱা নাই। এয়া এনে এক পৰিস্থিতি য'ত জলপাইগুড়িৰ জিলা উপায়ুক্তই কালচিনি আৰু ৰায়মাতাং বাগানৰ মালিকে দুমাহ জুৰি দিনে দহটকা মজুৰীত শ্ৰমিক খটুৱাত সমৰ্থন দিয়ে। তদুপৰি তাত অহা দুবছৰ জুৰি পূৰ্বৰ আধামজুৰীহে দিয়া হ'ব।

আনহাতে দুমাহৰ পাছত যদি মালিকে এটা বেংক ঋণ নাপায়, তেনেহ'লে উক্ত দহটকীয়া মজুৰীয়েই বাহাল থাকিব। ইফালে কালিচিনি আৰক্ষীথানাত ভৱিষ্যনিধি কৰ্তৃপক্ষই উক্ত বাগান কৰ্তৃপক্ষৰ বিৰুদ্ধে টকা আত্মসাৎ আৰু বিশ্বাসভংগৰ অভিযোগত দাখিল কৰা এজাহাৰখনৰো কোনো ব্যৱস্থা পুলিচ আৰু প্ৰশাসনে লোৱা নাই। জিলা উপায়ুক্তই যদি SGRY ৰ পৰা সামান্য পুঁজি এই দুইখন বাগানত খৰচ কৰেও তথাপি অহা দিনবিলাকত এই দুখন বাগানত কিমান মানুহ মৰিব তাৰ হিচাবেইবা কোনে ৰাখিব। SGRY ৰ পৰা একেধৰণৰ শোচনীয় পৰিস্থিতিত থকা আৰু কিমান বাগানৰ কিমান মানুহেনো সহায় পাব?

ভাৰতীয় চাহ আইনৰ ১৬ঘ আৰু ১৬ঙ অংশত স্পষ্ট ভাৱে কোৱা হৈছে যে মজুৰী নিয়মিত নিদিলে, বাগিছা শ্ৰম আইন ৰ ব্যৱস্থাৱলী উলংঘা কৰিলে, চাহগছৰ যত্নৰ ক্ৰটী ঘটিলে, ভৱিষ্যনিধিৰ ধন আদায়ত অনিয়ম ঘটিলে (আৰু এনে কেতবোৰ কাৰণত) কেন্দ্ৰীয় চৰকাৰে বাগিছা অধিগ্ৰহণ কৰিব পাৰে। কিন্তু এইক্ষেত্ৰত চাহ আইনৰ সেই দফা কাৰ্যকৰীকৰণৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই যাৰ পৰা এই কথা স্পষ্ট যে বাণিজ্য মন্ত্ৰালয় আৰু টি ব'ৰ্ডৰ লগত চাহ সম্ৰাটহঁতৰ বুজাবুজি আছে।

পশ্চিমবংগৰ চৰকাৰে দণ্ডবিধি আইনত ইয়াৰ ওপৰত ন্যস্ত ক্ষমতা ব্যৱহাৰ কৰি তথাকথিত গ্ৰহীতা সমিতি গঠনৰ জৰিয়তে তেনে বাগিচাবোৰ অধিগ্ৰহণ কৰাৰ প্ৰচেষ্টা চলাইছে। কিন্তু ওপৰত উল্লেখ কৰা একেটা চক্ৰই উক্ত সমিতিবোৰ গঠন কৰা বাবেই সেইবোৰে ভালকৈ কাম কৰিব পৰা নাই। সাধাৰণ শ্ৰমিকে কি বিচাৰে তাক জানিবলৈও কোনেও গৰজ অনুভৱ কৰা নাই।

আমি সমস্যাগ্ৰস্ত বাগানসমূহ পৰিচালনাৰ বাবে শ্ৰমিক সমবায় গঠনৰ পৃষ্ঠপোষকতা কৰিছোঁ। উক্ত যি দুখন বাগানত আমি সেই মৰ্মে ভালকৈ প্ৰচাৰ চলাব পাৰিছোঁ তাত শ্ৰমিকসকলৰ মাজত দৃঢ়বিশ্বাস হৈছে যে তেওঁলোকে নিজকে আৰু নিজৰ বাগানখনকো তেনে ব্যৱস্থাৰে বচাব পাৰিব। তেওঁলোকে অতি শোচনীয় পৰিস্থিতি হ'লে ভৱিষ্যনিধিৰ পৰা এহেজাৰকৈ টকা উলিয়াই বাগিছাত বিনিয়োগ কৰিবলৈও ইচ্ছুক। ভৱিষ্যনিধি আইনতো তেনেকৈ টকা উলিৱাৰ দিহা আছে। আমাৰ মতে য'ত শ্ৰমিকসকলে নিজেই নিজক তেনেকৈ সহায় কৰিবলৈ আগ্ৰহী তাত বাগিছাসমূহৰ পৰিচালনা তেনে শ্ৰমিক সমবায়বোৰৰ হাততে গতাই দিব লাগে। জলপাইগুড়ি জিলাত তেনে সফল শ্ৰমিক সমবায় আমি ইতিমধ্যে দেখা পাইছোঁ, ভৱিষ্যতে আৰু দেখা পাম। আমাৰ অসমতো তেনে প্ৰচেষ্টাৰ অবিহনে মৃত্যুৰ এই যাত্ৰা অব্যাহত থাকিব। ✪

## নাৰী নিৰ্যাতনৰ বিৰুদ্ধে মহানগৰীত বিশাল প্ৰতিবাদী সমদল

(উৎসঃ দৈনিক জনমভূমি)




গুৱাহাটীঃ ৩১ জুলাইঃ নাৰী নিৰ্যাতনৰ বিৰুদ্ধে আজি মহানগৰীত বাহিৰ হয় এক বিশাল প্ৰতিবাদী সমদল। বনকৰা ছোৱালীৰ ধৰ্ষণ আৰু হত্যা, যৌতুকজনিত কাৰণত বোৱাৰী হত্যাকে ধৰি সমাজৰ ক্ৰমবৰ্ধিত নাৰী নিৰ্যাতনৰ প্ৰতিবাদত মহানগৰীৰ নুনমাটি অঞ্চলৰ ৪৬ খন মহিলা সমিতিৰ শতাধিক বিক্ষোভকাৰী মহিলাই চুণচালিৰ পৰা নুনমাটিলৈ পুৱা ১০-৩০ মান বজাত এক বিশাল সমদল উলিয়ায়। বৃহত্তৰ নুনমাটি নাৰী নিৰ্যাতন বিৰোধী ঐক্যমঞ্চৰ আহ্বানক্ৰমে সমবেত হোৱা স্থানীয় মহিলা সংগঠনৰ সদস্যাসকলে হাতে হাতে নাৰী নিৰ্যাতন বিৰোধী বেনাৰ প্লেকাৰ্ড লৈ আৰু শ্লোগান দি অঞ্চলটো মুখৰিত কৰি তোলে। অঞ্চলটোৰ দুগৰাকী বনকৰা ছোৱালী সুচিত্ৰা বালা ৰায় আৰু নমিতা আৰু এগৰাকী গৃহিণী ৰুবী কলিতাৰ নৃশংস হত্যাকাণ্ডৰ সৈতে জড়িত দোষী ব্যক্তিক শাস্তি দিয়াৰ দাবীত সমদলকাৰীসকলে নুনমাটি থানাত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। আনহাতে উক্ত তিনিওটা হত্যাকাণ্ডৰ লগত জড়িত এজনো হত্যাকাৰীক আৰক্ষীয়ে এতিয়াও গ্ৰেপ্তাৰ কৰিব নোৱাৰাৰ বাবে সমদলকাৰী মহিলাসকলে ক্ষোভ প্ৰকাশ কৰে। ✪

## তেজত যাৰ বিদ্ৰোহৰ কণিকা

# অস্কাৰ বিজয়ী মাইকেল মূৰ

■ বিষ্ণুৱ্ৰাত শৰ্মা

আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ বুশ্বে যেতিয়া ইৰাকৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল তাৰ ঠিক পাছতেই হলীউদৰ বিশিষ্ট পৰিচালক মাইকেল মূৰে যোৱাবছৰৰ অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানত আন আন বঁটা বিজেতা সকলৰ লগত মঞ্চত থিয় হৈ কৈছিল- "আমি এটা দুৰ্যোগপূৰ্ণ, অন্ধকাৰময় নিৰ্বাচন পাৰ কৰিছিলো আৰু এজন অক্ষম যুদ্ধবাজ ৰাষ্ট্ৰপতি নিৰ্বাচিত কৰিছিলো। আমি আজি এনে এটা সময়ত বাস কৰিছোঁ য'ত এই মানুহজনে আমাক যুদ্ধভূমিলৈ পঠিয়াইছে কল্পিত কাৰণত। আমি এই যুদ্ধৰ বিৰুদ্ধে থিয় দিবই লাগিব। ধিক্ মিঃ জৰ্জ বুশ্ব, আপোনাৰ প্ৰতি আমাৰ আছে প্ৰচণ্ড ঘৃণা"।

হলীউদ নায়ক, ব্যতিক্ৰমী মাইকেল মূৰক আমি এজন উদাৰ গণতান্ত্ৰিক আৰু কোনো প্ৰশিক্ষণ নথকা সাহসী সাংবাদিক বুলিয়েই জানো। ৫০ বছৰীয়া মাইকেল মূৰে কলেজীয়া শিক্ষা পোৱাই নাছিল। কিন্তু প্ৰতিভাক জানো বান্ধি ৰাখিব পাৰি? আমেৰিকাৰ চৰকাৰ আৰু বৃহৎ বহুজাতিক কোম্পানীসমূহে মুনাফাৰ বিনিময়ত শ্ৰমিক শ্ৰেণী তথা সাধাৰণ মানুহৰ স্বাধীনতাক কাঢ়ি নিছে বুলি মূৰে দৃঢ়কণ্ঠে কৈ আহিছে বহুদিনৰ পৰা। অসীম জনপ্ৰিয় এই বলিষ্ঠ অভিনেতা পৰিচালকজনৰ বিৰুদ্ধে তথাপি আমেৰিকাৰ চৰকাৰে অপযশৰ ভয়ত একো বিশেষ কৰিব পৰা নাই। মাইকেল মূৰৰ দুৰ্জয় সাহসী কণ্ঠই জৰ্জ বুশ্বে ইৰাক সম্বন্ধে কোৱা সকলোবোৰ গোকাট মিছা কথাক ৰাজহুৱা ভাবে কৈ দিয়াৰ সাহস কৰিছিল। ওখ আৰু শকত চেহেৰাৰ, শক্তিশালী তথা মোহনীয় ব্যক্তিত্বৰ অধিকাৰী মাইকেল মূৰে মূৰত সদায় পিন্ধি তাকে এটা বেচবল টুপি। সদাহাস্যময়, ৰসিক মাইকেল মূৰৰ এই মোহনীয় ব্যক্তিত্বৰ আঁৰত আছে শ্ৰমিক শ্ৰেণীৰ তেজ। মিচিগানৰ ফ্লিনট নামৰ ঠাইত এটা আইৰিশ-আমেৰিকান শ্ৰমিক পৰিয়ালত ডাঙৰ দীঘল হোৱাৰ বাবেই বোধহয় এই সুন্দৰ ব্যক্তিত্বৰ তেওঁ অধিকাৰী হৈছিল। মাইকেল মূৰৰ কথাছবিসমূহে সদায় কঢ়িয়াই আনে উদ্ভাসিত নতুন দিনৰ সংবাদ। দৰ্শকক বিস্ময়বিমুগ্ধ কৰাৰ উপৰিও মৰম-বিষাদ, বিদ্ৰোহ-প্ৰেম, হাঁহি-আনন্দ এই সকলোৰে সমৃদ্ধ তেওঁৰ কথাছবিসমূহ। যন্ত্ৰণাদগ্ধ পৃথিৱীৰ প্ৰতিচ্ছবিক তেওঁ এনে বলিষ্ঠভাবে ডাঙি ধৰে যে দৰ্শকে প্ৰতিবাৰেই তেওঁৰ ছবি চাই উচুপি উঠে অথবা খণ্ডত ফাটি পৰে। তেওঁৰ লেখনীসমূহ আৰু কথাছবিবোৰ ইমানকৈ উজলি উঠাৰ আঁৰত আছে তেওঁৰ দুৰ্জয় সাহস। জৰ্জ বুশ্বে কোৱা সকলো কথাৰ বেলুনটো ফুটাই দিয়াৰ আৰু আমেৰিকাৰ সামৰিক শক্তি আৰু বন্দুকলবীৰ বিৰুদ্ধে গৰ্জি উঠাৰ দুৰ্দান্ত সাহস দেখুওৱাৰ আস্পৰ্ধা কৰে এই অনমনীয় মানুহজন।




কাঁ বোলছবি মহোৎসৱত শ্ৰেষ্ঠ তথ্যচিত্ৰৰ পুৰস্কাৰ প্ৰাপ্ত মাইকেল মূৰৰ FAHRENHEIT 9/11- অৰ পোষ্টাৰ

২০০৩ চনৰ অস্কাৰ বিজয়ী 'Bowling for Columbine'ত মূৰে বৰ্ণনা কৰিছে আফ্ৰো-আমেৰিকান এগৰাকী অকলশৰীয়া মাতৃ আৰু ছবছৰীয়া শিশু পুত্ৰৰ কাহিনী। ল'ৰাটোৰে হঠাৎ এদিন তেওঁৰ শ্ৰেণীৰ লগৰীয়া এজনক গুলীবিদ্ধ কৰি হত্যা কৰে। ইয়াৰ পিছৰ পৰা মহিলাগৰাকীয়ে তেওঁৰ স্কুলীয়া শিশু পুত্ৰ শুই উঠাৰ আগতেই চাকৰিলৈ যাবলৈ আৰম্ভ কৰে যাতে শিশুটোৰে স্কুললৈ বন্দুক লৈ যোৱা দৃশ্য তেওঁ দেখিব লগা নহয়। মাইকেল মূৰে কথাছবিখনত কৈছে- "Putting that mother on afor an hour-and a half to go to work to pay back whatever money she got for welfare... that to me, is a state-

১০পৃষ্ঠাত চাওক

সংগ্ৰাম সংবাদ

# বৰহাটত সিদুকানহুৰ ক্ৰান্তি দিৱস উদ্‌যাপন

(প্ৰতিবেদকঃ কৃষ্ণকান্ত গগৈ)

যোৱা ৩০ জুন তাৰিখে বৰহাট আঞ্চলিক ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ উদ্যোগত প্ৰায় পাঁচ শতাধিক ৰাইজৰ উপস্থিতিত দিনজোৰা কাৰ্যসূচীৰে ভাৰতৰ অন্যতম মুক্তি যুঁজাৰু নেতা সিদু-কানহুৰ স্মৃতিত ক্ৰান্তি দিৱস (মুক্তি সংগ্ৰামী দিৱস) অতি উলহ মালহেৰে উদ্‌যাপন কৰা হয়।

উক্ত দিৱসত পুৱাৰ ভাগতে পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু তীৰ-ধনু প্ৰতিযোগিতা অনুষ্ঠিত হয়। দিনৰ ১ বজাৰ পৰা স্থানীয় ঝাড়খণ্ডী নেতা দুধনাথ গোৱালাৰ সভাপতিত্বত মুকলি সভাখন অনুষ্ঠিত হয়। সিদু-কানহু ক্ৰান্তি দিৱসৰ তাৎপৰ্য্য আৰু আদিবাসী ৰাইজৰ সমস্যাৰ বিষয়ে যুৱনেতা জীৱন বাস্কে আৰু অৰুণ প্ৰজা, বয়োজ্যেষ্ঠ নেতা পাণ্ডু বাস্কে, জে. এ. এচ পিৰ শিৱসাগৰ জিলা সমিতিৰ সম্পাদক ৰমাকান্ত গঁড়, আৰ্মকাৰ চৰাইদেউ জিলা সমিতিৰ সভাপতি কৃষ্ণকান্ত গগৈ আদিয়ে বক্তব্য ৰাখি সিদু-কানহু ক্ৰান্তি দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে অসমৰ ঝাড়খণ্ডী আদিবাসী সকলৰ, বিশেষকৈ বাগানীয়া সকলৰ অতি দুখলগা অৱস্থাৰ বিষয়ে বিতংভাৱে বিশ্লেষণ কৰাৰ লগতে জনগোষ্ঠীটোৰ সজাগ চামে সিদু-কানহুৰ দৰে মহান ত্যাগী সকলৰ আদৰ্শেৰে কিছু ত্যাগ স্বীকাৰ কৰি এই নিপীড়িত জৰ্জৰিত জনগোষ্ঠীটোক সঠিকভাবে নেতৃত্ব দি প্ৰকৃত মানবীয় মুক্তিৰ দিশে আগবঢ়াই নিবলৈ আহ্বান জনায়।

সভাৰ শেষত তীৰ প্ৰতিযোগিতাৰ পুৰুষ আৰু মহিলা শাখাৰ বিজয়ী যথাক্ৰমে মংলা চৰেন আৰু অনিতা বাস্কেক একোটি বঁটাৰে সম্ভাষণ জনোৱা হয়।

সভাৰ মাজে মাজে পৰিবেশন কৰা ভৰতা ভুমিজ, সীতা মুৰ্মু, আনু মুৰ্মু, বেৰনিকা মিঞ্জ, ৰাজেন মাৰ্দ্দি, ৰতন হেমৰম, অৰ্জুন তিৰ্কী, বিমল মুণ্ডা, গোপাল মাৰ্দ্দি, জীৱন বাস্কে, আগষ্টিনা খেছ আদিৰ সংগ্ৰামী ঝুমুৰ গীত আৰু টিয়কীয়া গাঁৱৰ ঝুমুৰ দলৰ ঝুমুৰ নৃত্য প্ৰদৰ্শনে সভাখন অধিক সজীৱ কৰি তোলে।

একে ঠাইতে ৰাতিলৈ অনুষ্ঠিত হোৱা এক কৰ্মী সন্মিলনত চৰাইদেউ মহকুমা ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ এখন ৫১ জনীয়া সমিতি গঠন কৰা হয়। সমিতি খন এনেধৰণৰঃ

উপদেষ্টা মণ্ডলীঃ- লাচিত মুৰ্ম্মু, ফাগু হেম্বৰম, অনিমা বাস্কে, গোপাল মাৰ্দ্দি, আন্দ্ৰেৰিয়াচ ওৰাং, পাণ্ডু বাস্কে, উদয় বিস্কু, হৰেন চৰেন, অৰুন প্ৰজা। সভাপতিঃ ৰমাকান্ত গঁড়, কাৰ্যবাহী সভানেত্ৰী ঃ ৰীণা মুৰ্ম্মু, উপ সভাপতিঃ ৰাজু কাৰুঁৱা, সম্পাদকঃ জীৱন বাস্কে, সহকাৰী সম্পাদক ঃ তপণ টুডু, সাংগঠনিক সম্পাদকঃ পিতাৰ খেছ, সাংস্কৃতিক সম্পাদক ঃ ৰতন লাল হেম্বৰম, প্ৰচাৰ সম্পাদক ঃ সঞ্জীব প্ৰজা, কোষাধ্যক্ষঃ ৰাজেন প্ৰজা, কাৰ্যকৰী সদস্য-সদস্যাঃ বুলু গঁড়, ৰঞ্জন মুণ্ডা, মণিৰাম বিস্কু, ৰাজেশ বেছৰা, অৰ্জুন চৰেন, নাৰায়ণ বাস্কে, যোগেন হেম্বৰম, বুলু কিস্কু, টংকেশ্বৰ মুৰ্ম্মু, সত্যজিৎ নায়ক, ৰেখা মিঞ্জ, জন কুজুৰ, জীৱন মুৰ্ম্মু, অঞ্জনা বাস্কে, মাৰিয়াম কুজুৰ, সংগীতা তপ্ন, অৰ্জুন তিৰ্কী, বিৰচা জৰ্জ্জ, দেবেন বাস্কে, নৰেন মুৰ্ম্মু, মৃনালী হেম্বৰম, মীনা মাৰ্দ্দি, ৰুমী মাৰ্দ্দি, দীন মুণ্ডা, মামণি প্ৰজা, পল্লবী প্ৰজা, গীতাঞ্জলী প্ৰজা, ৰামসিং হালৱা, মনসাই গঁড় আদি। ✪

## ১৫৩০ বিদেশীক বহিস্কাৰ

১৯৮৫ চনৰ পৰা বৰ্তমানলৈকে অসম চুক্তিৰ আধাৰত ১৫৩০ জন বিদেশী বহিস্কাৰ কৰা হৈছে। নিৰ্দলীয়া বিধায়ক কৰেন্দ্ৰ বসুমতাৰীৰ এক লিখিত প্ৰশ্নৰ উত্তৰত এই তথ্য প্ৰকাশ। আনহাতে, বিজেপিৰ বিমলাংশু ৰয়ৰ এক প্ৰশ্নৰ উত্তৰত ১৯৯১ চনৰ লোকপিয়ল অনুসৰি ৰাজ্যখনত ৪৮,৫৬,৫৩২ জন বঙালী, ১০,৩৫,৪৭৪ জন হিন্দী ভাষী, ১৬,৪৯২ জন শিখ, ১,২৬,৯৮৭ জন মণিপুৰী, ৪,৩২,৫১৯ জন নেপালী লোক ৰাজ্যখনত বসবাস কৰি আছে বুলি প্ৰকাশ কৰে। ( অসমীয়া খবৰ ৪-৮-০৪)

শোক প্ৰকাশ

# আৰ্মকা নেতা খগেন্দ্ৰ ৰাজবংশীৰ অকাল বিয়োগঃ

## শোকত ম্ৰিয়মান ৰঙিয়াবাসী

■ হৰেশ্বৰ বৰ্মণ

৪ জুলাইঃ ৰঙিয়া অঞ্চলৰ বিশিষ্ট ব্যক্তি, সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ ৰঙিয়া জিলা সমিতিৰ সভাপতি তথা অ সম সংযুক্ত বিপ্লৱী আন্দোলন পৰিষদ (আৰ্মকা)ৰ এগৰাকী শীৰ্ষস্থানীয় নেতা খগেন্দ্ৰ ৰাজবংশীৰ আজি পুৱা সাত বজাত স্থানীয় জি এন আৰ চি চিকিৎসালয়ত মৃত্যু হয়। যোৱা পৰহি ৰাতি বাৰ বজাত জি এন আৰ চিত ভৰ্তি হোৱা ৰাজবংশীয়ে দীৰ্ঘদিন ধৰি এজমা জাতীয় ৰোগত ভুগি আছিল। ৰঙিয়াৰ ওচৰৰ দেউলকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰা ৰাজবংশী এগৰাকী কৃতী শিক্ষক হোৱাৰ উপৰি ৰঙিয়া তথা উত্তৰ কামৰূপৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগতো ওতঃপ্ৰোতভাবে জড়িত হৈ আছিল। তেওঁ ৰঙিয়া চিলাৰায় ভৱন নিৰ্মাণ সমিতিৰ মুখ্য সম্পাদক তথা ৰঙিয়া বি এড কলেজৰ পৰিচালনা সমিতিৰো এগৰাকী সক্ৰিয় সদস্য আছিল। আৰ্মকাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন উপ-সভাপতি ৰাজবংশীয়ে যোৱা সময়ছোৱাত শাৰীৰিক অসুস্থতা নেওচা দিও অসমৰ জনগোষ্ঠীয় স্বাধিকাৰ সংগ্ৰামৰ এগৰাকী কৰ্মী হিচাপে ৰাইজক সংগঠিত কৰিছিল। স্পষ্টবাদী চৰিত্ৰ আৰু অদম্য সংগ্ৰামী মানসিকতাৰ বাবে অঞ্চলটোৰ খাটিখোৱা ৰাইজৰ মাজত এগৰাকী সংগ্ৰামী নেতা হিচাপে প্ৰতিষ্ঠা লভা ৰাজবংশীৰ মৃত্যুত ৰঙিয়াৰ ৰাইজ হতভম্ব হৈ পৰে। আজি পুৱা ৰঙিয়াৰ পৰা শতাধিক গুণমুগ্ধ লোক আহি ৰাজবংশীৰ মৃতদেহ গুৱাহাটীৰ পৰা ৰঙিয়ালৈ লৈ যায়। বাটতে বাইহাটা চাৰিআলি আৰু কেন্দুকোণাত শতাধিক শোকাৰ্ত ৰাইজে ৰাজবংশীৰ মৃতদেহ কঢ়িওৱা গাড়ীখন ৰখাই ৰাজবংশীৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰে। আজি নিজ বাসস্থান ৰঙিয়াত হেজাৰোধিক লোকৰ উপস্থিতিত ৰাজবংশীৰ শেষকৃত্য সম্পন্ন কৰা হয়।

আৰ্মকাৰ কেন্দ্ৰীয় সমিতিয়ে জ্যেষ্ঠ সতীৰ্থ খগেন্দ্ৰ ৰাজবংশীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। বিশিষ্ট সংগ্ৰামী জনৰ আৰ্মকাৰ লগত ইয়াৰ জন্মলগ্নৰে পৰা সম্পৰ্ক আছিল আৰু কোচৰাজবংশী সকলৰ অনুসূচীকৰণ তথা বিটিচি / ষষ্ঠ অনুসূচী বাতিলৰ সংগ্ৰামখনত তেখেতে আৰ্মকাক নেতৃত্ব দি আহিছিল। সেয়েহে সেই সংগ্ৰামখনৰ অব্যাহত ৰখাৰ জৰিয়তেই খগেন্দ্ৰ ৰাজবংশীলৈ শ্ৰদ্ধা জনাবলৈ আৰ্মকাই সিদ্ধান্ত লয়। শ্ৰেণীসংগ্ৰামেও কমৰেড্ ৰাজবংশীলৈ লালচালাম যাচিছে। ✪

## সাপেখাঁতীত বিষ্ণুৰাভা দিৱস পালন (প্ৰতিবেদকঃ কৃষ্ণকান্ত গগৈ)

সূত্ৰধাৰ প্ৰগতিশীল সাংস্কৃতিক মঞ্চৰ উদ্যোগত আৰু সাপেখাতী চাৰিআলি জাতীয় বিদ্যালয়ৰ সহযোগত উক্ত বিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে সাপেখাতী কেন্দ্ৰীয় বিষ্ণুৰাভা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱা ৯ বজাত পতাকা উত্তোলন কৰে সাপেখাতী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ অতুল গগৈয়ে। স্মৃতিতৰ্পণ কৰে বিশিষ্ট চাহ মালিক দ্বিজেন বৰুৱাই। পতাকা উত্তোলনৰ পাছতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দুটা শাখাত বিষ্ণুৰাভাৰ জীৱন দৰ্শনৰ ওপৰত বক্তৃতা প্ৰতিযোগিতা পতা হয়। স্থানীয় বিশিষ্ট নাট্যকাৰ আৰু সমাজকৰ্মী পবিত্ৰ মহন ফুকনৰ ৰচনা, পৰিচালনা আৰু প্ৰযোজনাত 'বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱন আলেখ্য" নামৰ এখনি আটক ধুনীয়া পূৰ্ণাঙ্গ নাটক মঞ্চস্থ কৰা হয়। ইয়াৰ পাচতেই "বিষ্ণুৰাভাৰ আদৰ্শৰ প্ৰাসঙ্গিকতা' শীৰ্ষক আলোচনা চক্ৰখন সঞ্চালনা কৰে সোণাৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গোলাপ বৰগোহাঁই দেৱে। বিশিষ্ট আলোচক আছিল সাপেখাঁতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষক গগন বুঢ়াগোহাঁই , সাপেখাঁতী চাৰিআলি বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক দণ্ডী গগৈ আৰু স্থানীয় সমাজকৰ্মী কৃষ্ণ গগৈ। প্ৰতিজন আলোচকে বিষ্ণুৰাভাৰ সাম্যবাদী আদৰ্শ শান্তিপূৰ্ণ এখন সমাজৰ বাবে অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰে। সঞ্চালকে বিষ্ণুৰাভাৰ জীৱনৰ ওপৰত ৰচিত আৰু প্ৰদৰ্শিত নাটকখনৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে নাটকখন প্ৰদৰ্শিত হোৱাৰ পাচত বিষ্ণুৰাভা সম্পৰ্কে আলোচনাৰ প্ৰয়োজনেই নাথাকে বুলি অভিহিত কৰে। ছিন্নভিন্ন হ'ব ধৰা অসমত সকলোৱে বিষ্ণুৰাভাৰ আহ্বানৰ প্ৰতি সহাঁৰি জনাই উচ্চ-নীচ ভেদাভেদ এৰি একত্ৰিত হৈ শান্তিপূৰ্ণ অসম তথা ভাৰত গঢ়াৰ উদ্যোগ ল'বলৈ আহ্বান জনায়।

অনুষ্ঠানটিৰ অন্যতম গুৰিধৰোঁতা অৰুণ গগৈয়ে সকলোলৈকে শলাগৰ শৰাই আগবঢ়াই সভাৰ অন্ত পেলায়। ✪

OKDISCD

প্ৰাসংগিক

# প্ৰসংগ ষষ্ঠ অনুসূচী, বড়োলেণ্ড আৰু আছুঃ জ্বলিছে জনাই ধেমাজী

■ চাও কমল গগৈ

শ্ৰেণীসংগ্ৰামৰ পাতত আমি সঁকীয়াই আহিছোঁ যে ষষ্ঠ অনুসূচীৰ অধীনত বি.টি.চি গঠনৰ ফলত অসম পুনৰ বিভাজনৰ সমুখীন হ'ব। বিটিচিতে সন্তুষ্ঠ নাথাকি আবছু -বিপিএচি আদিয়ে অচিৰেই বড়োলেণ্ডৰ দাবী তুলিব বুলিও আমি ভৱিষ্যতবাণী কৰিছিলোঁ। কোৱা বাহুল্য, আমাৰ সেই সঁকীয়নি-ভৱিষ্যতবাণীৰ বিপৰীতে আছু নেতৃত্বই আবছু নেতৃত্বৰে লগত সনাপিতিকা কৰি ষষ্ঠ অনুসূচীৰ অধীনত বিটিচি প্ৰদানত উঠি পৰি লাগিল। আছুৱে পৰমানন্দ লাভ কৰিব পাৰে এই কথা ভাবি যে তেওঁলোকৰ সেই সমৰ্থনেৰে বলীয়ান হৈ অচিৰেই আবছু-বি এল টিয়ে ষষ্ঠ অনুসূচীৰ বিটিচি-বিটিএডি কাঢ়ি ল'লে।

সেয়েহে আছুৰ বয়োবৃদ্ধ নেতৃত্বৰ বোধোদয় হওক নহওক, অন্ততঃ অসমবাসীৰ বিবেচনালৈ আহক বুলিয়েই কেতবোৰ সময়োপযোগী কথা কৈ থোৱাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ। আমি দুবছৰ আগতেই সঁকীয়াই দিয়াৰ দৰেই ষষ্ঠ অনুসূচীৰ অধীনত বিটিচি-বিটিএডি প্ৰাপ্তিৰ ঠিক পাছতে আবছু-বিপিএচি-বিএলটি-বড়ো নেতৃত্বই বড়োলেণ্ডৰ দাবী পুনৰ উত্থাপন কৰিছে। আছুৱে 'বিটিচি নেপালে বড়ো নেতৃত্বই বড়োলেণ্ড বিচাৰিব' বুলি অসমৰ ৰাইজক ভয় খুৱাই বিটিচি-বিটিএডি পাতি দিয়াত যি অত্যুৎসাহ দেখুৱালে, তাৰ বিপৰীতে বিটিচি-বিটিএডি পোৱাৰ এবছৰ নৌহওঁতেই বড়ো নেতৃত্বই আজি বড়োলেণ্ড দাবী কৰিছে। আছু আজি নিবোকা চামোন।

উল্লেখযোগ্য যে বিটিচি চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত কোকৰাঝাৰৰ বনৰগাঁৱত অনুষ্ঠিত অধিবেশনতে আবছুৱে পৃথক বড়োলেণ্ডৰ দাবী তথা আন্দোলন প্ৰত্যাহাৰ কৰিছিল। কিন্তু আবছু-বিএলটি সমৰ্থিত সাংসদ চাঞ্চুমা খুংগুৰ বিচমুতিয়াৰীয়ে এইবাৰ পুনৰনিৰ্বাচিত হৈয়েই সাংসদৰ মজিয়াত বড়োলেণ্ডৰ দাবী পুনৰ উত্থাপন কৰিছে। দি টেলিগ্ৰাফ কাকতত এই সম্পৰ্কত ওলোৱা বাতৰিটোত কোৱা হয়ঃ

মুঠৰ ওপৰত সন্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিয়ে বাৰম্বাৰ সঁকীয়াই অহা দৰেই বিটিচি-বিটিএডি বড়োলেণ্ডৰ বাটকটীয়া বুলি সাব্যস্ত হৈছে। অসমৰ এই পুনৰবিভাজনৰ নৈতিক দায়িত্ব সদৌ অসম ছাত্ৰ সন্থাই কোনোদিন এৰাব নোৱাৰিব। আশ্চৰ্যকৰ কথা যে আছুৰ সক্ৰিয় আৰু প্ৰকাশ্য সমৰ্থনেৰে জিকি যোৱা সৰ্বানন্দ সোণোৱালৰ দৰে সদা-সৰৱ নেতায়ো সংসদত বড়োলেণ্ডৰ বিৰুদ্ধে এষাৰ কথা কোৱাৰ সাহস গোটাব নোৱাৰিলে। অথচ এইজন সৰ্বানন্দ সোণোৱালৰ সপক্ষে অসমীয়া প্ৰতিদিন কাকতত মুকলিকৈ সৰব হৈ উঠিছে আছু নেতা ('সৰ্বানন্দ সোণোৱালক আক্ৰমণঃ অমিয় ভূঞাৰ প্ৰতিক্ৰিয়া'; অসমীয়া প্ৰতিদিন ১৭-৬-০৪)। একদশকমান আছুৰ নেতৃত্ব দিয়া, এতিয়াও আছুৰে প্ৰকাশ্য সম্পৰ্ক ৰখা এনে নেতাও যেতিয়া অসমৰ খণ্ডিত কৰণৰ সম্পৰ্কত নিমাত-নিতাল, তেতিয়া বুজিব লাগিব ষষ্ঠ অনুসূচী-বিটিচিৰ পৰা অসমৰ বিভাজন-বড়োলেণ্ডলৈকে এই যাত্ৰাত তেওঁলোক সকলো সহযাত্ৰী।

## ধেমাজী-জনাইত জুইঃ দায়ী কোন?

কেৱল পাহাৰৰ জনজাতিৰ বাবে প্ৰযোজ্য (যাৰ একোটা অঞ্চলত নিৰংকুশ সংখ্যাগৰিষ্ঠতা আছে) সংবিধানৰ ষষ্ঠ অনুসূচীক মিশ্ৰবসতিপূৰ্ণ অসমৰ ভৈয়ামলৈ নমাই অনাৰ ভয়াবহ পৰিণতি সম্পৰ্কে আমি বাৰম্বাৰ সঁকীয়াই আহিছিলোঁ আৰু যথাৰীতি অগপ-বিজেপি-কংগ্ৰেছ-চিপিআই-চিপিএম-আছু-সাহিত্য সভা আদিয়ে সেই সঁকীয়নিক ফুৎকাৰে উৰুৱাই দিছিল। আজি কোকৰাঝাৰৰ জুইকুৰা ধেমাজী-জনাইতো জ্বলাৰ দায়িত্ব সেয়েহে তেওঁলোকে এৰাব নোৱাৰে। উদাহৰণ স্বৰূপে যিজন চাঞ্চুমা খুংগুৰ বিচমুতিয়াৰীয়ে সংসদৰ প্ৰথম অধিবেশনতে বড়োলেণ্ডৰ দাবী উত্থাপন কৰিলেগৈ তেওঁ প্ৰত্যক্ষভাবে অগপ আৰু বিজেপিৰ সমৰ্থিত প্ৰাৰ্থী আছিল। চিপিআই, চিপিএম, আদিৰো সমৰ্থন আছিল তেওঁৰ প্ৰতিয়েই। এতিয়া এওঁলোকে যদি ক'ব খোজে কোকৰাঝাৰত ষষ্ঠ অনুসূচী ভাল, ধেমাজীত বেয়া, তেনেহ'লে ক'ব লাগিব বালিলৈ যি পাত শৰ তেওঁলোকে মাৰিছিল, সেইপাত সুগ্ৰীৱলৈও ঘুৰি আহিব বুলি তেওঁলোকে নাজানিছিল নেকি? দিলীপ শইকীয়া সোণোৱাল, সৰ্বানন্দ সোণোৱাল সকলে সোণোৱাল-কছাৰীসকলৰ বাবে ষষ্ঠ অনুসূচীৰ প্ৰসংগত তথা অসমৰ সকলো জনজাতি গোষ্ঠীৰ বাবে ষষ্ঠ অনুসূচীৰ প্ৰসংগত নিজৰ স্থিতি স্পষ্ট কৰা দৰকাৰ। কাৰণ বড়ো, তিৱা, ৰাভা, সোণোৱাল কছাৰীৰ বাবে ষষ্ঠ অনুসূচী দিয়ক, মিচিঙক নিদিব এনে দুমুখীয়া স্থিতিও সুবিধাবাদৰ নামান্তৰ। বিষয়টো দিনৰ পোহৰৰ দৰে স্পষ্ট হোৱা প্ৰয়োজনঃ

OKDISCD

মিশ্ৰজনবসতিপূৰ্ণ এলেকাত মাত্ৰ একোটা জনজাতি গোষ্ঠীক ভূখণ্ডগত স্বায়ত্তশাসন দিলে আনসকলৰ অধিকাৰ বিপন্ন হ'ব, ফলত সংঘৰ্ষ অনিবাৰ্য হ'ব। ষষ্ঠ অনুসূচীয়ে অসমত তাকেই কৰিছে। অজনজাতিসকলৰ লগত চৰম শত্ৰুতাৰ সৃষ্টি কৰি প্ৰকৃতাৰ্থত জনজাতিসকলকো স্বায়ত্তশাসনৰ পৰা বঞ্চিত কৰি এহাতে অসমক খণ্ড-বিখণ্ড কৰা আৰু আনহাতে অসমক জনজাতি-অজনজাতি সংঘৰ্ষৰ বধ্যভূমিৰ পৰিণত কৰাই ষষ্ঠ অনুসূচীৰ উদ্দেশ্য। জোৰ পুৰি হাত পোৰাৰ পাছত এই সম্পৰ্কে কোনো মোহ কোনো পক্ষই ৰখা উচিত নহয়। প্ৰসংগতঃ আমি সদৌ অসম ছাত্ৰ সন্থাক তেওঁলোকৰ বিটিচি-বিটিএডি-ষষ্ঠ অনুসূচী সমৰ্থনকাৰী স্থিতিৰ সপক্ষে মুকলি আৰু সম্পূৰ্ণ বক্তব্য আগবঢ়াবলৈ প্ৰত্যাহ্বান জনাই থ'লো।

## সমাধানসূত্ৰঃ ষষ্ঠঅনুসূচী নহয়, ভূপিন্দাৰ সিঙৰ প্ৰস্তাৱ আৰু ফেডাৰেল গাঁথনিহে

স্পষ্টকৈ কৈ থওঁ আমি মিচিং স্বায়ত্তশাসনৰ (তথা বড়ো, তিৱা, ৰাভা, সোণোৱাল-কছাৰী,ঠেঙাল-কছাৰী, দেউৰী, কাৰ্বি আদি সকলো জনজাতি গোষ্ঠীৰ) বিৰোধীতো নহয়েই, বৰং যোৱা দুইদশকজুৰি তাৰ দাবীদাৰহে।

এই ক্ষেত্ৰত বিভাজনকাৰী, ভাতৃঘাতী সংঘৰ্ষ সৃষ্টিকাৰী আৰু অগণতান্ত্ৰিক ষষ্ঠ অনুসূচীৰ পৰিৱৰ্তে ড. ভূপিন্দাৰ সিঙৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া তিনিজনীয়া বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ এখন ঘূৰণীয়া মেজমেলৰ আলোচনাৰ আধাৰ হ'ব পাৰে। উল্লেখযোগ্য যে উক্ত বিশেষজ্ঞ সমিতিয়ে গাঁও পৰ্যায়ত দঃলুগ কৌবাং, আঞ্চলিক পৰ্যায়ত বাংকে কৌবাং আৰু সৰ্বোচ্চ পৰ্যায়ত বানী কৌবাং গঠনৰ জৰিয়তে তিনিটা পৰ্যায়ত স্বায়ত্তশাসন প্ৰদানৰ কথা কৈছিল। মূল মিচিং বসতিৰ পৰা বিচ্ছিন্ন এখন অকলশৰীয়া মিচিং গাঁৱে দলুগ কৌবাং অথবা আন আঞ্চলিক স্বায়ত্ত শাসনৰ লগত ভৌগলিকভাৱে সংলগ্নতা নথকা আন এটা এলেকাত মিচিংসকলে বাংকে কৌবাঙৰ ক্ষমতা উপভোগ কৰাৰ ব্যৱস্থা উক্ত পৰামৰ্শত আছিল। আনহাতে বানে কৌবাং সৰ্বোচ্চ পৰ্যায়ত সংগঠিত হ'লহেঁতেন, যাৰফলত প্ৰতিটো বাংকে কৌবাঙৰ ভৌগলিক সংলগ্নতা অপৰিহাৰ্য নাছিল। এনে স্বায়ত্তশাসনে অনা-মিচিংসকলৰ অধিকাৰ হৰণৰ আশংকাও নোপজালেহেঁতেন আৰু সংঘাত এৰাই চলি মিচিংসকলৰ বিকাশৰ বাট মোকলাব পাৰিলেহেঁতেন। অৱশ্যে তাৰ বাবে সেই স্বায়ত্তশাসনত বিত্ত, ৰাজহ, সংৰক্ষিত অৰণ্য, পৰিকল্পনা, সাধাৰণ প্ৰশাসন, বান নিয়ন্ত্ৰণ আদি দপ্তৰো থাকিব লাগিব। যি কি নহওক, মিশ্ৰজনবসতিপূৰ্ণ অসমত সকলো জনগোষ্ঠীয়ে আত্ম নিৰ্ধাৰণ আৰু স্বায়ত্তশাসনৰ অধিকাৰ উপভোগ কৰিবলৈ হ'লে কে'বাতৰপীয়া স্বায়ত্তশাসনৰ এনে এক ফেডাৰেল গাঁথনি সংশ্লিষ্ট সকলো পক্ষই বহি সূত্ৰায়ন কৰিবই লাগিব। তেহে কেৱল মিচিং নহয়, তেওঁলোকৰ লগতে উত্তৰপাৰৰ দেউৰী, সোণোৱাল কছাৰী, বড়ো আদি জনজাতি আৰু আনকি তাই আহোম, চুতীয়া, ঝাড়খণ্ডী আদিবাসী, কোচ ৰাজবংশীকে ধৰি অনা-জনজাতি গোষ্ঠীবোৰেও সংঘাতবৰ্জিতভাৱে পাৰস্পৰিক সমিলমিলেৰে আত্ম-নিৰ্ধাৰণ, স্বায়ত্তশাসন উপভোগ কৰিব। ✪

## শ্ৰেণীসংগ্ৰামৰ বকেয়া ধনঃ প্ৰথম তালিকা

দীৰ্ঘদিন ধৰি শ্ৰেণীসংগ্ৰামৰ বাবদ বিভিন্ন ঠাইৰ এজেণ্টসকলে বিপুল পৰিমাণৰ ধন আদায় দিবলৈ বাকী আছে, যাৰ ফলত আলোচনীখন চলাই ৰখা কঠিন হৈ পৰিছে। সেয়েহে ইয়াত বিভিন্ন ঠাইৰ পৰা অনাদায় পৰিমাণ উল্লেখ কৰিলোঁ। পৰৱৰ্তী কালত এই তালিকা সম্পূৰ্ণকৈ প্ৰকাশ হোৱাৰ আগতেই সংশ্লিষ্ট সকলোকে পৰিমাণবোৰ আদায় দি শ্ৰেণীসংগ্ৰামৰ প্ৰতি কমৰেডৰ হাত আগবঢ়াবলৈ কাতৰ অনুৰোধ জনোৱা হ'লঃ

| | |
|---|---|
| ১। তিতাবৰঃ ২০০১ চনৰ পৰা এই সংখ্যালৈকে (লগত ৰঙিয়াৰ পৰা পোৱা ২০০ টকা) | ১০২৫.০০ |
| ২। নলবাৰী (ক) | ২৫৫০.০০ |
| ৩। নলবাৰী (খ) ২০০১ চনৰ পৰা আজিলৈকে | ১৬০৫.০০ |
| ৪। ৰঙিয়াঃ (তিতাবৰৰ যোগেদি পোৱা ৫০০ টকা বাদ দি) | ৯৪০.০০ |
| ৫। গুৱাহাটী (ক) | ৭৭৫.০০ |
| ৬। গুৱাহাটী (খ) | ১৮১০.০০ |



OKDISCD

REGN.NO. 3359/79

সাম্প্ৰতিক

# বয়োবৃদ্ধ আছু নেতৃত্বৰ 'বাংলাদেশী' ৰাজহাঁহজনী !

■ বদন চন্দ্ৰ বৰফুকন

'আপুনি বয়স হৈলে বৃদ্ধি হৈবে ভাল' বুলি কথাতে কোৱা হয়। কথাযাৰ আছুৰ বয়োবৃদ্ধ নেতৃত্বৰ গাতে খাটে। যিমানে তেওঁলোকৰ ডাঢ়ি, চুলি পকিব লাগিছে, তালু তপা হৈছে, বিয়াবাৰু কৰাই বা নকৰাই, ল'ৰাৰ বাপেকী হৈ বা নহৈ, ককাদেউতা হোৱাৰ বয়সলৈ আগবাঢ়িছে, সিমানে তেওঁলোকৰ বুদ্ধি-বৃত্তিও সপ্তমত চৰিছে। আছু নেতৃত্বই বাৰুকৈ জানে যে সেই বুবুও নাই আৰু সেই বুবু-বুৰ্বকৰ দৰে সোণৰ কণীপৰা ৰাজহাঁহজনী মাৰি খাই পেলালেও নহ'ব। ৰাজহাঁহজনী জীয়াই ৰাখিব লাগিব, তাই সোণৰ কণী তেহে পাৰি থাকিব আৰু তাৰে ব্যৱসায় কৰি আছু নেতৃত্বয়ো সোণৰ অসম গঢ়িব পাৰিব।

অন্ততঃ 'বাংলাদেশী' সমস্যাটো জীয়াই থাকিলে আছু নেতৃত্বই সোণৰ ৰাজহাঁহ হওক, নহওক সোণৰ ৰাজ আসন এখন যে পাব পাৰে সেয়া তেওঁলোকে বাৰুকৈ বুজে। কাৰণ আছুৰ প্ৰাক্তন সভাপতি প্ৰফুল্ল মহন্ত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, আছুৰ প্ৰাক্তন সম্পাদক ভৃগু কুমাৰ ফুকন অসমৰ প্ৰাক্তন গৃহমন্ত্ৰী; আছুৰ আন এজন সভাপতি বৃন্দাবন গোস্বামী অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী; আছুৰ আন এজন সম্পাদক অতুল বৰা অসমৰ প্ৰাক্তন গড়কাপ্তানি মন্ত্ৰী; আছুৰ আন এজন সভাপতি ললিত ৰাজখোৱাও অসমৰ প্ৰাক্তন মন্ত্ৰী... সেই কথা নগেন শৰ্মা, দিগেন বৰা... আৰু কতজনৰ ক্ষেত্ৰত খাটে। আছুৰ এটা পৰ্যায়ৰ সভাপতি-সম্পাদক কাৰ্তিক হাজৰিকা, কেশৱ মহন্তও অগপ নেতা। সাংসদ; আছুৰ তাৰ পাছৰ সময় এটাৰ সম্পাদক অতুল বৰা (কনিষ্ঠ)ও অগপৰ বিধায়ক, সৌ-সিদিনালৈকে আছুৰ সভাপতিৰ পদ শুওৱা সৰ্বানন্দ সোণোৱালো যেতিয়া অগপৰ সাংসদ হ'ল গতিকে বৰ্তমানৰ বয়স-অতিক্ৰান্ত উপদেষ্টা, সভাপতি, সম্পাদকসকলনো বিধানসভামুৱা নহ'ব কিয়? তাতে বিধানসভা নিৰ্বাচনো আসন্ন আৰু হেন সময়তে বাংলাদেশী ৰাজহাঁহজনীয়েও পাৰক সোণৰ কণীটো।

ৰাজহাঁহৰ এই ৰাজনীতি অনুসৰি আছুৱে 'আকৌ শৰাইঘাট'ৰ উদাত্ত আহ্বান জনাইছে। ১৯৭৮-৮৩ লৈ ছবছৰীয়া আন্দোলনৰ জৰিয়তে অসমৰ অৰ্থনীতি, শিক্ষাজগত, সাম্প্ৰদায়িক সমন্বয় সকলো থান-বান কৰি ক্ষান্ত নহৈ আছুৱে আজি সুদীৰ্ঘ তিনিদশক পাছত পুনৰ বিদেশী খেদা আন্দোলনৰ আহ্বান দিছে। তেনে আন্দোলনৰ বিৰোধিতা কৰাসকলক আগতীয়াকৈ বাংলাদেশীৰ দালাল আখ্যা দিয়া হৈছে। (বদন, ঘৰবিভীষণ আদি অভীধানবোৰৰ উদাৰ শিলাবৰ্ষণ আৰম্ভ হ'বলৈ চাগে আৰু বেছিপৰ নাই।) দিল্লীৰ মহান পৃষ্ঠপোষক বাজপেয়ী, আদৱানীহঁতক ধৰাশায়ী কৰাৰ বাবে বাওঁপন্থীসকলৰ ওপৰত হোৰ তোলাৰ আৰু ইয়াতকৈ ভাল সুযোগ ক'ত পোৱা যাব। তাতে বিহাৰী-কাণ্ড হৈ যোৱাৰো কেইবামাহো হ'ল। বানপানীৰ মাজত কাৰো পিঠি বহলাব নোৱাৰি অলস হোৱা হাতত খজুৰতি উঠা স্বাভাৱিক।

ড. হীৰেন গোহাঁয়ে এই বিষয়ে অলপতে সঠিকভাৱেই আঙুলিয়াই দিছেঃ 'লোকসভাত কেন্দ্ৰীয় গৃহদপ্তৰৰ দায়িত্বশীল মন্ত্ৰীয়ে ঘোষণা কৰিছিল যে অসমত বাংলাদেশীৰ সংখ্যা চৌবিশ হেজাৰ তেতিয়া অসমত বৰ এটা প্ৰতিবাদ নহ'ল। কংগ্ৰেছীয়ে ফাঁকি মাৰেই বুলি সকলো মনে মনে থাকিল। কিন্তু ৰাজ্যসভাত সেই একেজন মন্ত্ৰীয়ে যেতিয়া এচাম লোকৰ 'মনপচন্দ' পঞ্চাশ লাখ বাংলাদেশীৰ কথা ঘোষণা কৰিলে, তেতিয়া এচাম দেশভক্ত লোকে কিৰিলি আৰু হাতচাপৰিৰে তাক সমৰ্থন জনালে।' (**নতুন দিন** ২০জুলাই'২০০৪)।

আজি পৰিসংখ্যাৰ জাগলাৰী খেলত সোমোৱাৰ মতলব আমাৰ নাই। আমোদ লভিছোঁ এই কথা ভাবিহে যে ১৯৮০ চনতে অসম সাহিত্য সভাই অসমত বিদেশীৰ সংখ্যা ৫১ লাখ বুলিছিল ( Eclipse in the East অসম সাহিত্য সভা, গুৱাহাটী ১৯৮০)- আজি সুদীৰ্ঘ ২৪ বছৰ পাছত দিল্লীৰ কংগ্ৰেছী মন্ত্ৰীয়েও একেই বাইক বুলিছে। সুন্দৰীসকলৰ যেনেকৈ বয়স নকমে নাবাঢ়ে, তেনেকৈ পঞ্চাশ লাখৰ পৰিসংখ্যাটোও দেখিছো কংগ্ৰেছ-আন্দোলনকাৰী দুয়োপক্ষ মিলি পকা কৰি পেলাইছে।

তৰ্কৰ খাতিৰত আজিলৈ ধৰি ল'লো, ( কেৱল তৰ্কৰ খাতিৰত; কেৱল আজিৰ বাবে) হয়, অসমত পঞ্চাশ লাখেই বিদেশী আছে, পাছে আছুৰ বুদ্ধিমান নেতৃবৃন্দকে সুধিছো- এইসকলক খেদিবৰ বাবে এতিয়া কি কৰিব লাগিব? পুনৰ শৰাইঘাট? তৃতীয় শৰাইঘাট? তেনেহ'লে তেওঁলোকৰ মাজৰ লাচিত বৰফুকনজনে ওলাই আহি ৰাইজৰ আগত নিজকে ঘোষণা কৰক আৰু তৃতীয় শৰাইঘাটৰ নৈতিক দায়িত্ব গ্ৰহণ কৰক। কাৰণ আছুৱে ১৯৮৫ চনত গোলাঘাটত ৰাজনৈতিক অভিৱৰ্তন পাতি গঠন কৰা অগপ দলক বিদেশী বিতাড়ন কৰিবলৈকে ৰাইজে দুবাৰকৈ ৰাজপাট দিছিল- সেই দুবাৰত তেওঁলোকে যি হাৰত বিদেশী খেদিলে সেই হাৰত পঞ্চাশ লাখ বিদেশী খেদিবলৈ ১৩,৩৩৩ বছৰ লাগিব।(এই সংখ্যা শ্ৰেণীসংগ্ৰামৰ ১৬ পৃষ্ঠা চাওক) সোণৰ কণীৰ পৰা সোণৰ অসম জগিবলৈ ১৩,৩৩৩ বছৰ উমনি দিবলৈ অসমৰ ৰাইজ সাজুনে? ✪



ভাস্কৰ নন্দীৰ দ্বাৰা সম্পাদিত আৰু ব্ৰজেন মহন্তৰ দ্বাৰা প্ৰকাশিত। মুদ্ৰণ ঃ প্ৰিণ্ট ৱৰ্ল্ড।

OKDISCD